# জানাযাৰ মছলা মাছাইল
# আৰু
# তাৰ কিছুমান বিদআত

[ অসমীয়া – Assamese – آسامي ]

শ্বাইখ আল্লামা নাছিৰুদ্দিন আলবানী ৰাহিমাহুল্লাহ

৯০৩

অনুবাদ
ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী
ইছলামী বিশ্ববিদ্যালয় মদীনা ছৌদি আৰব

# أحكام الجنائز وبدعها (ملخص)

[ অসমীয়া – Assamese – آسامي ]

## الشيخ ناصر الدين الباني رحمه الله

ترجمة:

رفيق الاسلام بن حبيب الرحمن

গ্ৰন্থস্বত্ব অনুবাদক কতৃক সংৰক্ষিত

কিতাপৰ নামঃ জানাযাৰ মছলা মাছাইল আৰু
তাৰ কিছুমান বিদআত
লিখক ঃ আল্লামা নাছিৰুদ্দিন আলবানী
অনুবাদকঃ হাফিজ ৰফিকুল ইছলাম দৰঙী
পকাশক ঃ দাৰুত তৌহীদ লিত্তালিফ ওৱাত তাৰ্জামাহ
পচাৰক: আমজাদ আনোৱাৰ শ্বাহবাস্কাৰ
পথম পকাশ ঃ ছফৰ ১৪৩৪ হিজৰী।
জানুৱাৰী ২০১৩চন।
কম্পোজ ঃ দাৰুত তৌহাদ লিত্তালিফ অত্তাৰ্জামাহ।
(বলোগড়া,খাৰুপেটীয়া, দৰং অসম)

পাপ্তিস্থান
দাৰুত তৌহীদ লিত্তালিফ ওৱাত তাৰ্জামাহ
(বলোগড়া,নিজ খাৰুপেটীয়া, দৰং অসম)
Email: ibptawheed@gmail.com

## অনুবাদকৰ কথা

বৰ্তমান যোগৰ মহান সংস্কাৰক ও মুজাদ্দিদ আল্লামা নাছিৰুদ্দিন আলবানী ৰাহিমাহুল্লা কোনো অপৰিচিত ব্যক্তি নহয়। হাদিছৰ তাহকীক আৰু তাখৰীজৰ ক্ষেত্ৰত তেওঁ এনে এক উদাহৰণ পতিষ্ঠা কৰিছে যাৰ উপমা বিগত কেইবা শতাব্দীলৈ বিচাৰি পোৱা নাযায়। ছালাফ সকলৰ চিন্তাধাৰা আৰু তেওঁলোকৰ সঠিক পথ জীৱিত কৰিবলৈ আৰু পচাৰ ও পসাৰ কৰিবলৈ তেওঁ যি পচেষ্টা চলাইছে সেয়া বহু দিনলৈ যোগমীয়া হৈ ৰ'ব।

তেখেতে লিখা পুথি সমূহৰ মাজত "ছিলছিলাতুল আহাদিছ আছ ছাহীহা আৰু ছিলছিলাতুল আহাদিছ আজ জায়ীফা, আৰু ছুনানে আৰবাআৰ শুদ্ধ আৰু দুৰ্বল বাছনি কৰি কৰা নতুন সম্পদনা, লগতে ইৰৱাউল গালীল আদি পুথি বিশেষকৈ উল্লেখ যোগ্য। এই কিতাপ খনো তেখেতৰেই অনুদান। এই পুথি খন তেখেতৰ জনপিয় কিতাপ "أحكام الجنائز وبدعها" ৰ সংক্ষিপ্ত অনুবাদ।

মৌলানা ৰফিক আহমদ ৰাঈছ ছালাফী চাহাবে উক্ত কিতাপ খনৰ সংক্ষিপ্ত অনুবাদ উৰ্দু ভাষাত কৰিছে। যদিও আল্লামা নাছিৰুদ্দিন আল বানীয়ে নিজেই ইয়াক সংক্ষিপ্ত কৰিছিল। কিন্তু ৰফিক আহমদ ছালাফী চাহাবে তাৰ অনুবাদ কৰা নাই। বৰং নিজাববীয়াকৈ সংক্ষিপ্ত কৰি তাৰ অনুবাদ কৰিছে। সেই পুথিখনকে অসমীয়া ভাষাত অনুবাদ কৰিবলৈ মই সাহস কৰিছিলো। আল্লাহৰ কৃপাত তাৰ অনুবাদ সম্পন্ন কৰি আপোনাৰ হাতত তুলি দিওঁতে মই বৰ আনন্দ অনুভৱ কৰিছো।

এই পুথি খন সেই সকল লোকৰ বাবে তৈয়াৰ কৰা হৈছে যিহঁতৰ ওচৰত সময়ৰ নাটনি যিহঁত কেৱল বিশুদ্ধ মছলা জানিব বিছাৰে। পাঠক সকলৰ সুবিধাৰ্থে পত্যেক মছলাৰ শেষত সংক্ষিপ্ত ভাৱে পত্যাৱৰ্তন কৰা কিতাপ সমূহৰ নামো উল্লেখ কৰা হৈছে। মনত ৰখা উচিত যে হাদিছৰ তাহকীক আৰু তাখৰীজৰ ক্ষেত্ৰত আল্লামা চাহাবৰ স্বভাৱ আনতকৈ বেলেগ। তেখেতে যিকোনো মছলা সম্পৰ্কে পূৰ্ণ হাৱালা আৰু তাখৰীজ নকৰা লৈকে আগ নাবাঢ়ে। এতেকে এই পুথি খনত হাৱালা অতি সংক্ষিপ্ত ভাৱে দিয়া হৈছে। য'ত পাঁচটা কিতাপৰ নাম আছে তাৰে এটা বা দুটাৰ নাম উল্লেখ কৰা হৈছে। সবিশেষ জানিব বিছৰা ব্যক্তিসকলে মূল কিতাপৰ পিনে পত্যাৱৰ্তন কৰা উচিত।

অসমবাসী ৰাইজৰ হাতত এক বিশুদ্ধ আৰবী কিতাপৰ সংক্ষিপ্ত অনুবাদ তুলি দি মই আল্লাহৰ অগণন কৃতজ্ঞতা জ্ঞাপন কৰিছো; লগতে মই তেওঁৰ ওচৰত

পাৰ্থনা কৰোঁ তেওঁ যাতে মোক আৰু অধিক দ্বীন ইছলামৰ খিদমত কৰাৰ তৌফিক দিয়ে। হে আল্লাহ! মোৰ এই ক্ষুদ পচেষ্টা তুমি কবুল কৰা। আৰু ইয়াক মোৰ আৰু মোৰ পিতৃ-মাতৃৰ আৰু শিক্ষক মণ্ডলিৰ বাবে লগতে ছপা কৰোঁতে যি সকল শুভাকাংক্ষিয়ে আগভাগ লৈছে তেওঁলোকৰ বাবে ছদকায়ে যাৰিয়া বনাই দিয়া। হে আল্লাহ! পাঠক বৃন্দক ইয়াৰ উপকাৰৰ পৰা বঞ্চিত নকৰিবা। (আমীন)

ইতি
হাফিজ ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান
১৮/১২/২০১২

**বেমাৰীৰ কৰ্তব্য**

১) এজন মুছলিম ব্যক্তিৰ যেতিয়া বেমাৰ-আজাৰ হয় তেতিয়া তেওঁ আল্লাহৰ ফয়চালাৰ ওপৰত সন্তোষ্ট ব্যক্ত কৰা অনিবাৰ্য। আল্লাহে নিৰ্ধাৰণ কৰা ভাগ্যৰ ওপৰত ধৰ্য্য ধাৰণ কৰা আৰু নিজ পভূ সম্বন্ধে উত্তম ধাৰণা ৰখা উচিত। এয়াই তেওঁৰ পক্ষে উপকাৰী।

(মুছলিম, বাইহাকী, আহমদ)

২) ভয়-ভীতি আৰু আশা মিশিত অৱস্থা তেওঁৰ ওপৰত পভাৱিত হ'ব লাগে। অৰ্থাৎ- নিজ গুনাহৰ বাবে আল্লাহৰ শাস্তিৰ পৰা ভয় কৰা উচিত আৰু নিজ পভুৰ অনুগহৰ পাথী হোৱাৰ আশা কৰা উচিত।

(তিৰমিজী, ইবনে মাজাহ)

৩) অসুখ যিমানেই যন্ত্রণাদায়ক নহওক কিয় তাৰ বাবে মৃত্যু কামনা কৰা কদাপিও বৈধ নহয়। এই বিষয়ে যদি কিবা ক'বই লাগে তেনেহ'লে এই দুআ পঢ়া উচিত।

اللهم أحيني ما كانت الحياة خيرا لي وتوفني إذا كانت الوفاة خيرا لي

'আল্লাহুম্মা আহয়ানী মা কা-নাতিল হায়াতু খাইৰান লি, অ তাৱাফ ফানী মা কা-নাতিল অফাতু খাইৰান লি'

অৰ্থাৎ- হে আল্লাহ! মোক জীৱিত ৰখা যেতিয়া লৈকে জীৱিত থকা মোৰ বাবে কল্যাণকৰ আৰু মোক মৃত্যু দান কৰা যেতিয়া মৃত্যু মোৰ বাবে কল্যাণকৰ হ'ব।

(বুখাৰী, মুছলিম, বাইহাকী)

৪) যদি তেওঁৰ ওপৰত কাৰো ঋণ থাকে তেন্তে সক্ষম হ'লে তৎক্ষণাত সেই ঋণ আদায় কৰা উচিত। অন্যথা অছীয়ত কৰা উচিত।

(বুখাৰী, বাইহাকী)

৫) অছীয়ত কৰোঁতে পলম কৰিব নালাগে বৰং যিমান সম্ভৱ অচিৰেই অছীয়ত কৰা উচিত।

৬) সেই সকল আত্মায়ৰ বাবে অছীয়ত কৰা তেওঁৰ ওপৰত ওৱাজীৱ যিহঁত তেওঁৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ব নোৱাৰিব।

(ছুৰা বাকাৰাঃ ১৮০)

৭) তেওঁৰ ওপৰত এক তৃতীয়াংশ সম্পত্তি অছীয়ত কৰা বৈধ। ইয়াতকৈ বেছি অছীয়ত কৰা অবৈধ। বৰং এক তৃতীয়াংশতকৈ কম অছীয়ত কৰা উত্তম।

(আহমদ, বুখাৰী, মুছলিম)

৮) নিজ অছীয়ত সম্পৰ্কে দুজন লোকক সাক্ষী ৰাখিব লাগে। সেই সময়ত যদি কোনো মুছলিম মানুহ নাথাকে তেন্তে দুজন অমুছলিমকে সাক্ষী ৰখা উচিত।

(ছুৰা মায়িদাঃ ১০৬)

৯) পিতা মাতা আৰু আত্মায় সকলৰ মাজত যিহঁত উত্তৰাধিকাৰী হ'ব সিহঁতৰ বাবে অছীয়ত কৰা বৈধ নহয়।

(আবু দাউদ, তিৰমিজী)

১০)অছীয়তৰ দ্বাৰা কাৰোবাক ক্ষতি কৰা হাৰাম। উদাহৰণ সৰূপে- কোনো উত্তৰাধিকাৰীক তেওঁৰ অংশৰ পৰা বঞ্চিত কৰিবলৈ অছীয়ত কৰা অথবা কাৰোবাক তেওঁৰ অংশতকৈ বেছি পদান কৰাৰ অছীয়ত কৰা।

( দাৰুকুতনী, হাকিম)

১১)পত্যেক অন্যায়কাৰক অছীয়ত অবৈধ।

( বুখাৰী, মুছলিম, আহমদ)

১২)বৰ্তমান যুগত যিহেতু দ্বীন সম্পৰ্কে আৰু বিশেষকৈ জানাযা সম্পৰ্কে মছলা-মাছাইলত অধিকাংশ লোক বিদআতৰ চিকাৰ হৈছে সেয়ে এজন মুছলিম বেমাৰীৰ কৰ্তব্য হ'ল তেওঁৰ আত্মায় স্বজনক অছীয়ত কৰা যে, তেওঁৰ কাফন দাফন যাতে ছুন্নাত মুতাবিক হয়। ছাহাবা সকলক বিশেষকৈ এই বিষয়ে নিজ আত্মীয় সকলক অছীয়ত কৰা দেখা গৈছে।

( আহমদ, মুছলিম, তিৰমিজী, বাইহাকী)

## মুমূৰ্ষ ব্যক্তিক কালিমা শ্বাহাদতৰ উপদেশ দিয়া

১৩)যেতিয়া কোনো মুছলমানৰ মৃত্যুৰ সময় নিকটবৰ্তী হয় তেতিয়া যিহঁত তাৰ ওচৰত উপস্থিত থাকিব তেওঁলোকৰ ওপৰত কৰ্তব্য হ'ল-

- ✓ তেওঁক কালিমা শ্বাহাদতৰ উপদেশ দিয়া। অৰ্থাৎ মৌখিক উচ্চাৰণ কৰিবলৈ নিৰ্দেশ দিয়া।

(মুছলিম, ইবনে হিব্বান)

- ✓ তেওঁৰ বাবে দুআ কৰা। তেওঁৰ সন্মুখত কেৱল উত্তম কথা আলোচনা কৰা।

(মুছলিম, বাইহাকী)

১৪)কালিমা শ্বাহাদতৰ উপদেশ দিয়াৰ অৰ্থ এইটো নহয় যে তেওঁৰ ওচৰত তেওঁক শুনাই কালিমা পঢ়া বৰং তেওঁক কালিমা পঢ়াৰ নিৰ্দেশ কৰা।

(মুছনাদ আহমদ)

১৫)মৃত্যুৰ নিকটবৰ্তী মুছলমানৰ ওচৰত ছুৰা ইয়াছীন পাঠ কৰা অথবা তেওঁৰ মূখমণ্ডল কিবলাৰ দিশত ঘুৰাই দিয়া ঠিক নহয়। কিয়নো এই বিষয়ে কোনো বিশুদ্ধ হাদিছ নাই। বৰং হজৰতে ছাঈদ বিন মুছাইয়্যিব ৰাহিমাহুল্লাহে এই বিষয়ে কঠোৰ ভাষাৰে গৰিহণা দিছে।

(মুছান্নাফ ইবনু আবি শ্বাইবা)

১৬)কোনো মৃত্যুৰ নিকটবৰ্তী কাফিৰৰ ওচৰত কোনো মুছলমান যোৱাটো কোনো দোষ নহয়। কিন্তু তেওঁৰ এইটো সংকল্প হোৱা উচিত যে তেওঁ তাক ইছলামৰ পিনে আহ্বান জনাই আকৰ্ষিত কৰিব।

(বুখাৰী, হাকিম, বাইহাকী, আহমদ)

**মৃত্যুৰ পিছত উপস্থিত লোক সকলৰ দায়িত্ব**

১৭)যেতিয়া কোনো মুছলমানৰ মৃত্যু হয় তেতিয়া তাৰ ওচৰত উপস্থিত থকা লোক সকলৰ কৰ্তব্য হ'ল-

- ❖ তেওঁৰ দুয়ো চকু বন্ধ কৰি দিয়া। আৰু তেওঁৰ বাবে দুআ কৰা।
(মুছলিম, আহমদ, বাইহাকী)
- ❖ এটা ডাঙৰ কাপোৰেৰে তাৰ গোটেই শৰীৰ ঢাকি দিয়া।
(বুখাৰী, মুছলিম, বাইহাকী)
- ❖ মৃত্যু ব্যক্তি যদি ইহৰাম (হজ্জ পালন কৰা অৱস্থাত পিন্ধা পৰিধান) অৱস্থাত থাকে তেন্তে তাৰ মূৰ আৰু মূখমণ্ডল খোলা ৰাখিব।
(বুখাৰী, মুছলিম, বাইহাকী)
- ❖ তেওঁৰ কাফন দাফন কৰাত পলম নকৰিব।
(বুখাৰী, মুছলিম)
- ❖ যি চহৰত অথবা গাওঁত তেওঁৰ মৃত্যু হৈছে তাতেই তেওঁক দাফন কৰা উচিত। মৃত ব্যক্তিক স্থানান্তৰ নকৰাটোৱেই ভাল।
(আবু দাউদ, তিৰমিজী,নাছায়ী, ইবনে মাজাহ)
- ❖ যদি তেওঁৰ ওপৰত ঋণ থাকে তেন্তে তেওঁ এৰি থৈ যোৱা সম্পত্তিৰ দ্বাৰা অতি সোনকালে সেই ঋণ আদায় কৰিব। যদিও তেওঁৰ গোটেই সম্পদ ঋণ আদায় কৰাত শেষ নহওক কিয়। যদি ঋণৰ তুলনাত তেওঁৰ ওচৰত ধন নাথাকে তেন্তে চৰকাৰে তেওঁৰ ঋণ পৰিশোধ কৰিব এই পৰিপেক্ষিতত যে মৃত ব্যক্তি জীৱিত অৱস্থাত ঋণ পৰিশোধ কৰাৰ আপান চেষ্টা কৰিছিল। যদি চৰকাৰে তেনে নকৰে তেন্তে কোনো শুভাকাংক্ষিয়ে যদি ছদকা দ্বাৰা তেওঁৰ ঋণ পৰিশোধ কৰে তেন্তে তেওঁ কৰিব পাৰে এইটো বৈধ।
(আহমদ, আবু দাউদ, ইবনে মাজাহ, বাইহাকী)

**এটা গুৰুত্ব পূৰ্ণ কথা**

মৃত ব্যক্তিৰ ঋণ পৰিশোধ কৰা সম্পৰ্কে যিবোৰ ছহীহ হাদিছ পোৱা যায় সেইবোৰৰ দ্বাৰা স্পষ্ট বুজা যায় যে, যদি তেওঁৰ ঋণ পৰিশোধ কৰা হয় তেন্তে

মৃত ব্যক্তিৰ পক্ষে এইটো উপকাৰী। যদিও সেই ঋণ তেওঁৰ সন্তান-সন্ততিৰ পৰিবৰ্তে আন কোনোবাই পৰিশোধ নকৰক কিয়। এনে কৰিলে ঋণৰ বাবে যি শাস্তি তেওঁ ভোগ কৰিব লগা হ'লেহেতেন সেই শাস্তি তেওঁৰ পৰা আঁতৰাই দিয়া হয়।

## উপস্থিত লোকৰ কিছুমান বৈধ কাৰ্য

১৮)মৃত ব্যক্তিৰ ওচৰত উপস্থিত থকা লোক সকলৰ বাবে মৃত ব্যক্তিৰ মুখমণ্ডল খোলা আৰু তেওঁক চুম্বন কৰা বৈধ। এইদৰে তিনি দিন পৰ্যন্ত তেওঁৰ শোকত অশ্রু পোষন কৰাও বৈধ।

(বুখাৰী, মুছলিম, আহমদ, নাছায়ী, বাইহাকী, তিৰমিজী, আবু দাউদ)

## মৃত ব্যক্তিৰ আত্মীয় স্বজনৰ কৰ্তব্য

১৯)যেতিয়া কোনো মুছলমানৰ মৃত্যুৰ খবৰ তেওঁৰ আত্মীয় স্বজনে পাব তেতিয়া তেওঁলোকৰ ওপৰত দুটা বস্তু অনিবাৰ্য।

ধৈৰ্য্য ধাৰণ কৰা আৰু ভাগ্যৰ ওপৰত সন্তোষ্ট হোৱা।

(ছুৰা বাকাৰাঃ ১৫৫-১৫৭)

বিশেষকৈ সন্তানৰ মৃত্যুত ধৈৰ্য্য ধাৰণ কৰা মুছলিম নৰ-নাৰীৰ বাবে বৰ ডাঙৰ ছোৱাবৰ কাম।

(বুখাৰী, মুছলিম)

নিম্নোক্ত দুআ পাঠ কৰা।

إنا لله وإنا إليه راجعون. اللهم أجرني في مصيبتي واخلف لي خيرا منها

অৰ্থাৎঃ নিশ্চয় আমি আল্লাহৰেই আৰু তেওঁৰ পিনেই আমি পত্যাগমন কৰিম। হে আল্লাহ! মোৰ এই বিপদত তুমি মোক পূণ্য দান কৰা আৰু ইয়াতকৈ উত্তম অনুগহ পদান কৰা।

২০)নিজ সন্তানৰ শোক পকাশ কৰি এজনি মুছলিম নাৰীয়ে সৌন্দৰ্য্য পৰিত্যাগ কৰাটো ধৈৰ্য্যৰ বিপৰীত নহয়। কিন্তু চৰ্ত হ'ল এই শোক তিনি দিনতকৈ বেছি হ'ব নালাগে।

আনহাতে স্বামীৰ মৃত্যুত এজনী মুছলিম নাৰীয়ে চাৰি মাহ দহ দিন শোক পকাশ কৰিব।

(বুখাৰী)

২১)কিন্তু যদি স্বামীৰ বাহিৰে আন কোনো আত্মীয়ৰ মৃত্যুত এজনী মুছলিম নাৰীয়ে তাইৰ স্বামীৰ সন্তোষ্ট আৰু তেওঁৰ পয়োজন পূৰণ কৰিবলৈ শোক পকাশ নকৰে তেন্তে এইটো তাইৰ পক্ষে উত্তম। তেনে কৰিলে স্বামী স্ত্ৰী উভয়ৰ কল্যাণ কামনা কৰা যায়।

(আত ত্বায়ালিছী, বুখাৰী, মুছলিম)

## মৃত ব্যক্তিৰ আত্মীয় স্বজনৰ পক্ষে কিছুমান হাৰাম(নিষিদ্ধ) কাৰ্য

২২)যেতিয়া কোনো আত্মীয়ৰ মৃত্যু হয় তেতিয়া কিছুমান লোকে কিছুমান এনে কাৰ্য কৰে যিবোৰ কৰিবলৈ ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লামে হাৰাম বুলি কৈছে। তাৰ পৰা বিৰত থাকিবলৈ সেইবোৰ জনা অত্যান্ত পয়োজন। তাৰে কিছুমান তলত বৰ্ণনা কৰা হ'ল।

- নওহা বা বিলাপ কৰা।
  - (মুছলিম, বাইহাকী)
- মূৰ খুৰোৱা ।
  - (বুখাৰী, মুছলিম)
- চুলি মেলি দিয়া।
  - আবু দাউদ, বাইহাকী)
- মৃত ব্যক্তিৰ ওপৰত শোক পকাশ কৰি কিছু দিনৰ বাবে দাঢ়ি ৰখা আকৌ সেইটো খুৰোৱা। এইটোও উপৰোক্ত আদেশৰ অন্তৰ্ভূক্ত।
- মিনাৰা বা উচ্চ ঠাইৰ পৰা মৃত ব্যক্তিৰ মৃত্যুৰ জাননী দিয়া। এইটো অজ্ঞতা যোগৰ এটা বিশেষ নিয়ম 'نعي'ৰ অন্তৰ্ভূক্ত। যিটো ইছলামে কঠোৰ ভাৱে নিষেধ কৰিছে।

(তিৰমিজী, ইবনে মাজাহ, আহমদ, বাইহাকী)

## মৃত্যুৰ জাননী দিয়াৰ বৈধ নিয়ম

২৩)মৃত্যুৰ জাননী দিয়াৰ বাবে অজ্ঞতা যুগত যি পথা পচলিত আছিল তাৰ বাহিৰে যি কোনো উপায়ে মৃত্যুৰ খবৰ দিয়া বৈধ। বৰং কাফন দাফন আৰু জানাযাৰ নামাজৰ আচল অধিকাৰী যদি মৃত ব্যক্তিৰ ওচৰত উপস্থিত নাথাকে তেন্তে তেওঁক খবৰ দিয়া ওৱাজীব।

(বুখাৰী, মুছলিম)

২৪)খবৰ পদান কাৰী ব্যক্তিৰ বাবে মৃত্যুৰ খবৰ দিয়াৰ লগতে তেওঁৰ ওচৰত মৃত ব্যক্তিৰ বাবে ক্ষমা পাৰ্থনা কৰাৰ আবেদন জনোৱাটো মুস্তাহাব।

(মুছনাদ আহমাদ)

## উত্তম পৰিণামৰ কিছুমান নিদৰ্শন

২৫)আল্লাহ ছুবহানাহু অতাআলা তেওঁৰ নবীৰ দ্বাৰা কিছুমান এনে স্পষ্ট নিদৰ্শনৰ সংবাদ দিছে যিবোৰৰ দ্বাৰা উত্তম পৰিণাম গম পোৱা যায়। মৃত্যুৰ সময়ত তাৰ পৰা যিকোনো এটা পকাশ পালেই মৃত্যু ব্যক্তিৰ বাবে এইটো সু-সংবাদ সূচায়।

বিশুদ্ধ হাদিছৰ দ্বাৰা যিবোৰ নিদৰ্শন পোৱা যায় সেইবোৰ হৈছে।

১)মৃত্যুৰ সময়ত কালিমা পাঠ কৰা।

(হাকিম)

২)মৃত্যুৰ সময়ত কপালত ঘাম পকাশ পোৱা।

(আহমাদ, নাছায়ী, তিৰমিজী)

৩)শুক্ৰবাৰৰ ৰাতি অথবা শুক্ৰবাৰৰ দিনা মৃত্যু বৰণ কৰা।

(আহমদ)

৪)যুদ্ধ (জিহাদ)ৰ ময়দানত শ্বহীদ হোৱাৰ আশাঁলে মৃত্যু বৰণ কৰাঢ

(মুছলিম)

৫)আল্লাহৰ পথত যুদ্ধ কৰা অৱস্থাত মৃত্যুবৰণ কৰা।

(মুছলিম, আহমদ)

৬)প্লেগ বেমাৰত মৃত্যুবৰণ কৰা। (বুখাৰী)

৭)পেটৰ অসুখত মৃত্যুবৰণ কৰা। (মুছলিম)

৮)পানীত ডুবি মৃত্যুবৰণ কৰা। (মুছলিম)

৯)পাচীৰ বা দেৱালৰ তলত পৰি মৃত্যু বৰণ কৰা।

(বুখাৰী, মুছলিম)

১০)মুছলিম নাৰীৰ গৰ্ভাৱস্থাত অথবা পসৱ অৱস্থাত মৃত্যুবৰণ কৰা।

(আহমদ)

১১)জ্বুই লাগি মৃত্যুবৰণ কৰা।

(মালিক, আবু দাউদ, নাছায়ী)

১২) ذات الجنب নিমোনিয়া হৈ মৃত্যুবৰণ কৰা।

(মালিক, আবু দাউদ, নাছয়ী)

১৩) (سل) ক্ষয় জৰ বা দীৰ্ঘ কালীন জৰত ভূগি মৃত্যুবৰণ কৰা।

(মাজমাউজ জাৱাইদ)

১৪)সম্পদ ৰক্ষাৰ্থে মৃত্যুবৰণ কৰা। (বুখাৰী, মুছলিম)

১৫)দ্বীন ও ঈমান সংৰক্ষণত মৃত্যুবৰণ কৰা।

(আবু দাউদ, নাছায়ী)

১৬)নিজৰ জীৱন ৰক্ষাৰ্থে মৃত্যু বৰণ কৰা।

(আবু দাউদ, নাছায়ী)

১৭)আল্লাহৰ ৰাস্তাত পহৰা দি থকা অৱস্থাত অথবা সীমা সংৰক্ষণ কৰা অৱস্থাত মৃত্যুবৰণ কৰা।

(মুছলিম, তিৰমিজী, নাছায়ী, আহমদ)

১৮)কোনো নেক আমল কৰা অৱস্থাত মৃত্যুবৰণ কৰা।

(মুছনাদ আহমদ)

## মৃত ব্যক্তিৰ পশংসা কৰা

২৬)মৃত ব্যক্তিৰ পশংসা কৰা তেওঁৰ সত্যবাদিতা,বিশেষকৈ তেওঁৰ ইল্ম আমল পসংগে তেওঁৰ পৰিচিত লোকে আৰু পতিবেশীয়ে পশংসা কৰাটো তেওঁৰ বাবে জান্নাতৰ কাৰণ। নিম্নতম দুজন মুছলমানে তেওঁৰ বিষয়ে পশংসা কৰিব লাগে।

(বুখাৰী, মুছলিম, নাছায়ী, তিৰমিজী)

২৭)যদি কোনো মুছলমান হঠাৎ সূৰ্য গহণ বা চন্দ গহণৰ সময়ত মৃত্যু বৰণ কৰে তেন্তে তাক অমঙ্গল ভৱাটো ঠিক নহয়। আৰু এনে বিশ্বাস পোষন কৰাও ঠিক নহয় যে মৃত ব্যক্তি বৰ মহান আছিল সেয়ে সূৰ্য বা চন্দ গহণ লাগিছে। এইবোৰ অজ্ঞতা যুগৰ খোৰাফাত বা বাজে কথা।

(বুখাৰী, মুছলিম)

## মৃত ব্যক্তিক গুছল দিয়াৰ নিয়ম আৰু তাৰ আদেশ

২৮)যেতিয়া কোনো মুছলমানৰ মৃত্যু হয় তেতিয়া তাক ততালিকে গুছল দিবলৈ পস্তুতি লোৱা কিছু মুছলমানৰ বাবে ওৱাজীব।

(বুখাৰী, মুছলিম)

২৯)মৃত ব্যক্তিক গুছল দিয়াৰ সময়ত নিম্নোক্ত কথাবোৰ মনত ৰখা উচিত।

- গুছল তিনিবাৰ দিব, পয়োজন হ'লে বেছিও দিব পাৰে।
- কিন্তু গুছল বেজোৰ হ'ব লাগিব।
- তাৰে কেইবাৰ মান বগৰী পাত অথবা ছাবোন ব্যৱহাৰ কৰিব।

- শেষ বাৰ গুছল দিওঁতে পানীৰ লগত আতৰ ব্যৱহাৰ কৰিব। কৰ্পূৰ (كافور) হ'লে বেছি ভাল।
- নাৰী হ'লে চুলিৰ খোঁপা খুলি চুলি ভালদৰে ধুৱ।
- ধোৱা হ'লে চুলিবোৰ ভালকে পৰিপাটি কৰি দিব।
- চুলিৰ তিনিটা বেনু গাতি পিঠিত ওলমাই দিব।
- গুছল সোঁ ফালৰ পৰা আৰু অজুৰ অংগৰ পৰা আৰম্ভ কৰিব লাগে।
- পুৰুষে পুৰুষক আৰু নাৰীয়ে নাৰীক গুছল দিব লাগে। কিছুমান লোক এই আদেশৰ অন্তৰ্ভূক্ত নহয় তাৰ বৰ্ণনা আগত আহি আছে।
  (বুখাৰী, মুছলিম, আবু দাউদ, তিৰমিজী, নাছায়ী, ইবনে মাজাহ, আহমদ)
- মৃত ব্যক্তিয়ে পৰিধান কৰা কাপোৰ খুলি দিব আৰু এটা ডাঙৰ কাপোৰেৰে তাক ঢাকি দিব তাৰ পিছত সৰু কাপোৰৰ টুকুৰা লৈ বা মোজা পিন্ধি ঢাকি থোৱা অৱস্থাত কাপোৰৰ তলেদি গুছল দিব।
  (আবু দাউদ, হাকিম, আহমদ)

- ইহৰাম অৱস্থাত মৃত্যুবৰণ কৰা হাজীক আতৰ বা কৰ্পূৰ মিশিত পানীৰে গুছল নিদিব।

(বুখাৰী, মুছলিম)

- স্বামী মৃত্যুবৰণ কৰিলে স্ত্ৰীয়ে গুছল দিব পাৰে। ঠিক এইদৰে স্ত্ৰী মৃত্যু বৰণ কৰিলে স্বামীয়ে গুছল দিব পাৰে। নিষেধাজ্ঞাৰ কোনো পমান নাই। বৰং বৈধ হোৱাটো হাদিছৰ দ্বাৰা পমাণিত।

(মুছনাদ আহমদ, আবু দাউদ, দাৰমী, ইবনে মাজাহ)

৩০)মৃত ব্যক্তিক গুছল দিওঁতা সকল যদি দুটা কথাৰ ওপৰত আমল কৰে তেন্তে সিহঁত বৰ ডাঙৰ ছোৱাবৰ অধিকাৰী হ'ব।

তাৰ গোপন বিষয়বোৰ গোপন ৰাখিব লাগে আৰু যদি গুছল দিয়া অৱস্থাত কোনো অমনোনীত বস্তু দেখা পোৱা যায় তেন্তে সেইটো পকাশ কৰিব নালাগে।

(হাকিম, বাইহাকী)

কেৱল আল্লাহৰ সন্তোষ্টিৰ বাবে গুছল দিয়া। কোনো মজুৰী বা ধন্যবাদ অথবা কোনো দুনিয়াবী উদ্দেশ্যৰ বাবে হ'ব নালাগে।

ইছলামী চৰিয়তত এই কথা স্পষ্ট যে আল্লাহে কেৱল সেই আমল গহণ কৰে যিটো মাথোন আল্লাহৰ সন্তোষ্টিৰ বাবে কৰা হয়।

(ছুৰা বাইয়্যিনা:৫ বুখাৰী, মুছলিম)

৩১)মৃত ব্যক্তিক গুছল দিয়া জন নিজেও গুছল কৰা মুস্তাহাব। ওৱাজীব নহয়।

(আবু দাউদ, তিৰমিজী, হাকিম, দাৰুকুতনী)

৩২)যুদ্ধৰ ময়দানত শ্বহীদ হোৱা মুছলমানক গুছল দিয়া নহ'ব। যদিও সি জুম্বী (স্ত্ৰী সহবাস কৰাৰ পিছৰ অৱস্থা) নহওক কিয়।

(বুখাৰী, আবু দাউদ)

## মৃত ব্যক্তিক কাফন পৰিধান কৰাৰ নিয়ম

৩৩)মৃত ব্যক্তিক গুছল দিয়াৰ পিছত তাক কাফন পৰিধান কৰোৱা ওৱাজীব।

(বুখাৰী, মুছলিম)

৩৪)কাফনৰ কাপোৰ বা তাৰ মূল্য মৃত ব্যক্তিৰ ধনৰ পৰা হ'ব লাগে। যদিও সি কেৱল ইমান খিনি ধন এৰি থৈ গৈছে যাৰ মাত্ৰ এটা কাফন ক্ৰয় কৰিব পাৰি।

(বুখাৰী, মুছলিম)

৩৫)কাফনৰ কাপোৰ ইমান দীঘল হ'ব লাগে যাৰ দ্বাৰা মৃত ব্যক্তিৰ গোটেই শৰীৰ ঢাকি যায়।

(মুছলিম, আবু দাউদ, আহমদ)

৩৬)যদি কাফনৰ কাপোৰ সৰু হয় তেন্তে পথমে মূৰ ঢাকিব তাৰ পিছত বাকী অংশ ঢাকিব। আৰু খোলা ৰৈ যোৱা অংশখিনি ঘাহঁ আদিৰে ঢাকি দিব।

(বুখাৰী, মুছলিম)

৩৭)যদি কাফনৰ সংখ্যা কম হয় আৰু মৃত ব্যক্তিৰ সংখ্যা বেছি হয় তেন্তে এটা কাপোৰেৰেই কেইবাজনকো কাফন দিব পাৰে। এনে অৱস্থাত এটা কথা মনত ৰখা উচিত যে যিজন ব্যক্তিৰ কোৰআন বেছি মুখস্থ আছিল তাক কিবলা অভিমুখে ৰখা হ'ব।

(আবু দাউদ, তিৰমিজী)

৩৮)শ্বহীদ ব্যক্তি যি কাপোৰত মৃত্যু বৰণ কৰিছে সেই কাপোৰ খোলা নহ'ব বৰং তেজ লগা সেই কাপোৰতেই তেওঁক দাফন কৰা হ'ব।

(নাছায়ী, আহমদ)

৩৯)শ্বহীদক তেওঁৰ কাপোৰৰ ওপৰত এটা বা ততোধিক কাপোৰেৰে কাফন দিয়া মুস্তাহাব। (বুখাৰী, মুছলিম)

৪০)ইহৰাম অৱস্থাত মৃত্যুবৰণ কৰা হাজীক তেওঁৰ সেই দুই কাপোৰেৰেই কাফন দিব লাগে যি দুটা পৰিধান কৰি তেওঁ মৃত্যু বৰণ কৰিছে।

(বুখাৰী, মুছলিম)

৪১)কাফন সম্পৰ্কে নিম্নোক্ত কেইটামান কথা মনত ৰখা উচিত।

কাফনৰ কাপোৰ বগা হোৱা উচিত।

(আবু দাউদ, তিৰমিজী)

কাফনৰ বাবে তিনিটা কাপোৰ হোৱা উচিত।

(কুতুবে ছিত্তা)

সক্ষম হ'লে কাপোৰ তিনিটাৰ মাজত এটা অঙ্কিত হোৱা উচিত।

(আবু দাউদ)

কাফনৰ কাপোৰক তিনিবাৰ সূগন্ধি মলক ধোঁৱাৰে ছেকিব লাগে।

(আহমদ)

কিন্তু ইহৰাম অৱস্থাত মৃত্যু বৰণ কৰা হাজী ইয়াৰ অন্তৰ্ভূক্ত নহয়।

৪২)বেছি মূল্যবান কাফন ব্যৱহাৰ কৰা বৈধ নহয়। আৰু কাফনৰ বাবে তিনিটাতকৈ অধিক কাপোৰ ব্যৱহাৰ কৰাও অবৈধ। ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লামক তিনিটা কাপোৰেৰেই কাফন দিয়া হৈছে। গতিকে এইটো

ছুন্নতৰ বিপৰীত হোৱাৰ লগতে অপব্যয়ৰ অন্তৰ্ভূক্ত। অথচ এই ধনৰ বেছি অধিকাৰী জীৱিত লোক।

(বুখাৰী, মুছলিম)

৪৩)পুৰুষ মহিলাৰ কাফনৰ কাপোৰৰ সংখ্যাৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাই। মহিলাৰ ক্ষেত্ৰতো সেই একেই আদেশ যিটো পুৰুষৰ ক্ষেত্ৰত পযোজ্য। উভয়ৰ মাজত পাৰ্থক্য কৰিবলৈ কোনো বিশুদ্ধ হাদিছ নাই।

## জানাযা কান্ধত লোৱা আৰু তাৰ অনুসৰণ পসংগ

৪৪)জানাযা কান্ধত লোৱা আৰু তাৰ পিছে পিছে যোৱা ওৱাজীব। এইটো মুছলমান মৃত ব্যক্তিৰ এটা অধিকাৰ যিটো আন আন মুছলমানৰ কৰ্তব্য।

(বুখাৰী, মুছলিম)

৪৫)জানাযাৰ লগত যোৱাৰ দুটা ধৰণ হ'ব পাৰে।

- মৃত ব্যক্তিৰ ঘৰৰ পৰা তেওঁৰ জানাযা নপঢ়ালৈকে তেওঁৰ লগত যোৱা।
- মৃত ব্যক্তিৰ ঘৰৰ পৰা দাফন পৰ্যন্ত তেওঁৰ লগত যোৱা।

ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা উভয় পকাৰ পমান পোৱা যায়।

(ইবনে হিব্বান, হাকিম)

৪৬)ইয়াত কোনো সন্দেহ নাই যে দ্বিতীয় পকাৰ পথম পকাৰতকৈ উত্তম। অৰ্থাৎ- দাফন পৰ্যন্ত লগত যোৱা।

(বুখাৰী, মুছলিম)

৪৭)জানাযাৰ লগত যোৱা অৱস্থাত কোনো এনে কাম কৰা বা কোনো এনে বস্তু লৈ যোৱা অবৈধ যিটো চৰিয়তে নিষেধ কৰিছে। এই বিষয়ে হাদিছত বিশেষকৈ দুটা বস্তুৰ উল্লেখ পোৱা যায়।

ক) চিঞঁৰি চিঞঁৰি কান্দি কান্দি যোৱা।

খ) সুগন্ধি মূলক খৰি জ্বলাই লৈ যোৱা।

(আহমদ, আবু দাউদ)

৪৮)এইদৰে জানাযাৰ আগে আগে উচ্চস্বৰে কোনো দুআ পাঠ কৰি যোৱাও উপৰোক্ত আদেশৰ অন্তৰ্ভূক্ত। বৰং এইটো বিদআত।

(বাইহাকী)

৪৯)জানাযা লৈ দ্ৰুতগতিত যাব লাগে। দ্ৰুত গতিৰ অৰ্থ এইটো নহয় যে দৌৰি যাব লাগে যেনে কা'বা তাৱাফ কৰাৰ সময়ত কৰা হয় বৰং খৰকৈ যাব লাগে।

(বুখাৰী, মুছলিম)

৫০)জানাযাৰ আগত পিছত সোঁফালে বাওঁফালে সকলো দিশতে যাব পাৰে কিন্তু চৰ্ত জানাযাৰ লগত থকা। মনত ৰখা উচিত যে পৰিবহন আৰোহী জানাযাৰ পিছত যাব।

(আবু দাউদ, নাছায়ী, তিৰমিজী)

৫১)জানাযাৰ আগত আৰু পিছত যোৱা উভয় পৰ্যায় ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কাৰ্যৰ দ্বাৰা পমাণিত।

(ইবনে মাজাহ, ত্বাহাৱী)

৫২)কিন্তু জানাযাৰ পিছত যোৱাটো আগত যোৱাতকৈ উত্তম।

(আল মুছান্নাফ ইবনে আবি শ্বাইবা)

৫৩)পৰিবহন ব্যৱহাৰ কাৰী জানাযাৰ পিছত যাব। পৰিবহন ব্যৱহাৰ কৰাতকৈ খোজকাঢ়ি যোৱা উত্তম। কাৰন ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নত এইটোৱেই আছিল। তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামে জানাযাৰ লগত পৰিবহন ব্যৱহাৰ কৰাৰ কোনো পমান পোৱা নাযায়।

(আবু দাউদ, হাকিম, বাইহাকী)

৫৪)জানাযা দাফন কৰাৰ পিছত উভতাৰ সময়ত নিশ্চিত ভাৱে পৰিবহন ব্যৱহাৰ কৰিব পাৰে।

(আবু দাউদ, হাকিম, মুছলিম)

৫৫)জানাযা লৈ যোৱাৰ বাবে গাড়ী ব্যৱহাৰ কৰা আৰু তাৰ লগত যোৱা লোক সকল পৰিবহনত আৰোহণ কৰি যোৱা ইছলামী চৰিয়তত নিম্নোক্ত কাৰণে অবৈধ।

এইটো অমুছলিম সকলৰ নিয়ম। আৰু ইছলামী চৰিয়তৰ মৌলিক নীতি হ'ল সিহঁতৰ সাদৃশ্য গহণ কৰা অবৈধ।

এইটো এটা বিদআত। বিশেষকৈ এইটো ছুন্নতৰ বিপৰীত। কিয়নো জানাযা কান্ধত লৈ যোৱা ছুন্নত।

জানাযা কান্ধত লৈ যোৱাৰ এটা ডাঙৰ উদ্দেশ্য হৈছে পৰকালৰ স্মৰণ। ইয়াৰ বিপৰীত পদ্ধতি পালন কৰিলে এই ডাঙৰ উদ্দেশ্য নাইকিয়া হৈ যায়।

এনে কৰিলে জানাযাত লোকৰ সংখ্যাও কমি যাব কিয়নো সকলো মানুহ সামৰ্থবান নহয়।

পৰম্পৰাৰ পৰা পৱিত্ৰ ইছলামী চৰিয়তৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। বিশেষকৈ জানাযাৰ নিচিনা গুৰুত্ব পূৰ্ণ বিষয়ত ইছলামী চৰিয়তৰ নিজা বিশেষ নিয়ম আছে।

৫৬)জানাযা দেখি থিয় হোৱাৰ আদেশ ৰহিত হৈছে।
থিয় হোৱাৰ দুটা ধৰণ হ'ব পাৰে।

- জানাযা লৈ যোৱা দেখি বহি থকা মানুহ থিয় হোৱা। আদিতে এই আদেশ আছিল কিন্তু পিছত এয়া ৰহিত হৈছে।

(মুছলিম, ইবনে মাজাহ)

- কবৰস্থানত গৈ জানাযা মাটিত নোথোৱা লৈকে থিয় হৈ থকা। এই আদেশো পথমে আছিল পিছত ৰহিত হৈছে।

(তাহাৱী)

৫৭)জানাযা কান্ধত কৰি লৈ অহা লোক সকলৰ বাবে অজু কৰা মুস্তাহাব।

(আবু দাউদ, তিৰমিজী, হাকিম, দাৰুকুতনী)

## জানাযাৰ নামাজ

৫৮)পত্যেক মুছলমান মৃত ব্যক্তিৰ ওপৰত জানাযাৰ নামাজ পঢ়া ফৰ্জে কিফায়া।

(মালিক, আবু দাউদ)

(ফৰ্জে কিফায়া কোৱা হয় যিটো পত্যেকজন মুছলমানৰ ওপৰত ফৰ্জ নহয় বৰং যদি কিছুসংখ্যক লোকে আদায় কৰে তেন্তে সকলোৰে পৰা ফৰ্জ আদায় হৈ যাব আৰু যদি কোনোৱেই আদায় নকৰে তেন্তে সকলোৱে গুণাহগাৰ হ'ব। অনুবাদক)

৫৯)উপৰোক্ত আদেশৰ পৰা দুই ধৰণৰ লোক বহিৰাগত। সিহঁতৰ পতি জানাযাৰ নামাজ ওৱাজীব নহয়।

- না বালিগ শিশু। ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লাম তেখেতৰ পুত্ৰ ইবাহীমৰ জানাযাৰ নামাজ পঢ়া নাই।

- (আবু দাউদ, আহমদ)

- শ্বহীদ । ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লাম ওহুদৰ ময়দানত শ্বহীদ হোৱা লোক সকলৰ জানাযাৰ নামাজ পঢ়া নাছিল।

(বুখাৰী, আবু দাউদ)

এওঁলোকৰ জানাযাৰ নামাজ পঢ়া বৈধ। ইয়াত কেৱল ওৱাজীব নোহোৱাৰ কথা কোৱা হৈছে।

৬০)নিম্নোক্ত ব্যক্তি সকলৰ পতি জানাযাৰ নামাজ পঢ়া বৈধ।

গৰ্ভপাত হোৱা শিশু। যদিও ৯ মাহৰ আগতেই গৰ্ভপাত হৈছে। চাৰি মাহতকৈ কমত গৰ্ভপাত হোৱা শিশুৰ পতি জানাযাৰ নামাজ পঢ়া নহ'ব।

(আবু দাউদ, নাছায়ী)

শিশুৰ জানাযাৰ নামাজৰ বাবে যিবোৰ চৰ্ত দাঙি ধৰা হয় যেনে পসৱ হোৱাৰ পিছত শিশুৱে কান্দিব লাগে বা শব্দ ওলাব লাগে তেহে জানাযাৰ নামাজ পঢ়া হ'ব ইত্যাদি চৰ্ত ঠিক নহয়। কিয়নো এই বিষয়ে বৰ্ণিত হোৱা হাদিছ দুৰ্বল।

শ্বহীদৰ জানাযাৰ নামাজ পঢ়া বৈধ। (নাছায়ী পমূখ)

এইদৰে সেই ব্যক্তিৰ পতিও জানাযাৰ নামাজ পঢ়া বৈধ; যাক কোনো ইছলামী সীমালঙ্ঘন কৰাৰ বাবে মৃত্যু পদান কৰা হৈছে।

(মুছলিম, আবু দাউদ, নাছায়ী, তিৰমিজী)

ফাছিক আৰু ফাজিৰ মুছলমান যিজন পাপ কাৰ্যত লিপ্ত আছিল। নামাজ যাকাত আদি ফৰ্‌জ বুলি জানিছিল কিন্তু আমলত পৰিণত কৰা নাছিল। যদিও সি পাপিষ্ঠ, অন্যায়কাৰী, অসৎ, মাদক দ্ৰব্য গহণ কাৰী নহওক কিয়। তাৰ জানাযাৰ নামাজ পঢ়া বৈধ। কিন্তু উলামায়ে দ্বীন আৰু মহান ব্যক্তি সকল তাৰ জানাযাৰ নামাজৰ পৰা বিৰত থাকিব লাগে। যাতে এওঁৰ নিচিনা আন আন লোকে শিক্ষা লব পাৰে।

(মুছলিম, আহমদ, নাছয়ী, তিৰমিজী)

ঋণী মুছলমান। যিজনে ঋণ পৰিশোধ কৰিব পৰা পৰিমান ধন এৰি থৈ যোৱা নাই; তাৰ পতি জানাযাৰ নামাজ পঢ়া বৈধ। পথমাৱস্হাত ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লাম এনে লোকৰ জানাযাৰ নামাজ পঢ়া নাছিল।

(বুখাৰী, নাছয়ী)

যি মুছলমানক জানাযাৰ নামাজ বিহীন দাফন কৰা হৈছে;অথবা কোনোবাই পঢ়িছে আৰু কোনোবাই পঢ়া নাই তেন্তে তাৰ কবৰত আহি জানাযাৰ নামাজ পঢ়া বৈধ। হয়! এটা কথা মনত ৰখা উচিত যে সেই ব্যক্তি ইমাম হ'ব নোৱাৰে যিয়ে আগতে তাৰ জানাযাৰ নামাজ পঢ়িছে।

(বুখাৰী, মুছলিম, আবু দাউদ)

যদি কোনো মুছলমানৰ মৃত্যু কোনো এনে ঠাইত হৈছে য'ত তাৰ জানাযাৰ নামাজ পঢ়িবলৈ কোনো নাই তেন্তে এনে মুছলমানৰ গায়েবানা জানাযাৰ নামাজ মুছলমানৰ এটা দলে আদায় কৰিব । যেনে ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লাম ছাহাবা সকলৰ এটা দলৰ সৈতে আবিচিনীয়াৰ ৰজা নাজ্জাশ্বীৰ গায়েবানা জানাযাৰ নামাজ পঢ়িছিল।

(বুখাৰী, মুছলিম, আবু দাউদ)

৬১)কাফিৰ আৰু মুনাফিক সকলৰ পতি জানাযাৰ নামাজ পঢ়া; সিহঁতৰ বাবে দুআ কৰা আৰু আল্লাহৰ ওচৰত সিহঁতৰ বাবে অনুগহৰ পাৰ্থনা কৰা হাৰাম বা নিষিদ্ধ।

(বুখাৰী, মুছলিম, তিৰমিজী)

৬২)সাধাৰণ ফৰজ নামাজৰ দৰে জানাযাৰ নামাজ জামাআতৰ সৈতে পঢ়া ওৱাজীব। কাৰণ ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লাম সদায় জামাআতৰ সৈতে জানাযাৰ নামাজ পঢ়াইছে। আৰু তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামৰ আদেশ যে "নামাজ তেনেকৈ পঢ়া যেনেকৈ মোক পঢ়োঁতে দেখিছা।

(বুখাৰী)

৬৩)জামাআতৰ বাবে নিম্নতম তিনি জন হ'ব লাগে।

(হাকিম, বাইহাকী)

৬৪)জামাআতত মানুহৰ সংখ্যা যিমান বেছি হ'ব সিমানেই মৃত্যু ব্যক্তিৰ বাবে ভাল।

(মুছলিম, নাছায়ী, তিৰমিজী)

৬৫)ইমামৰ পিছত তিনিটা বা ততোধিক শাৰি বনোৱা মুস্তাহাব।

(আবু দাউদ, তিৰমিজী· ইবনে মাজাহ)

৬৬)যদি ইমামৰ লগত মাত্ৰ এজন মানুহ হয় তেন্তে সি ইমামৰ পিছত থিয় দিব।

(হাকিম, বাইহাকী)

৬৭)মৃত ব্যক্তিৰ অভিভাৱকৰ তুলনাত তাৰ জানাযাৰ নামাজৰ ইমামত কৰাৰ বেছি হকদাৰ ইছলামী ৰাষ্টৰ ৰাষ্টপতিৰ অথবা তাৰ সহকাৰীৰ।

(হাকিম, বাজ্জাৰ)

৬৮)যদি ইছলামী ৰাষ্টৰ ৰাষ্টপতি বা তেওঁৰ সহকাৰী উপস্থিত নাথাকে তেন্তে ইমামত কৰাৰ অধিকাৰ উপস্থিত ব্যক্তি সকলৰ মাজত সেই ব্যক্তিৰ যাৰ বেছি কোৰআন মূখস্থ আছে। এই ক্ষেত্ৰত যদি সকলো সমান হয় তেন্তে সেই ব্যক্তি ইমাম হ'ব যিজনে ৰাছুলুল্লাহ ছাল্লাল্লাহু আলাইহি অছাল্লামৰ ছুন্নতৰ বেছি জ্ঞান ৰাখে।

ইয়াতো সেই একেই পদ্ধতি গহণ কৰা হ'ব যিটো সাধাৰণ নামাজৰ ইমামতিৰ বাবে কৰা হয়।

(মুছলিম পমূখ)

৬৯)পুৰুষ মহিলাৰ কেইবাটাও জানাযা যদি একত্ৰিত হয় তেন্তে সিহঁতৰ পতি এবাৰেই জানাযাৰ নামাজ পঢ়া হ'ব। ইয়াৰ পদ্ধতি হৈছেঃ
পুৰুষৰ জানাযা ইমামৰ ওচৰত ৰখা হ'ব যদিও সৰু ল'ৰাই নহওক কিয় আৰু তাৰ পিছত অৰ্থাৎ কিবলা অভিমূখে মহিলাৰ জানাযা ৰখা হ'ব।

(মুছান্নাফ আব্দুৰ ৰাজ্জাক, নাছায়ী, আবু দাউদ, বাইহাকী)

৭০)কেইবাটাও জানাযা একত্ৰিত হ'লে পৃথক পৃথক ভাৱেও জানাযাৰ নামাজ পঢ়া বৈধ। কিয়নো জানাযাৰ মূল এইটোৱেই। আৰু নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা ওহুদৰ ময়দানত শ্বহীদ হোৱা লোক সকলৰ পতি পৃথক পৃথক ভাৱে জানাযাৰ নামাজ পঢ়াৰ পমান পোৱা যায়।

(তাহাৱী, তাবৰানী)

৭১)মছজিদত জানাযাৰ নামাজ পঢ়া বৈধ।

(মুছলিম, ছুনান আৰবা)

৭২)কিন্তু জানাযাৰ নামাজ মছজিদৰ বাহিৰত সেই ঠাইত পঢ়া উত্তম যিটো জানাযাৰ নামাজৰ বাবে নিৰ্দ্দিষ্ট কৰা হৈছে। যেনে নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত আছিল। আৰু স্বয়ং নবী ছাল্লাল্লাহু আলাইহি অছাল্লাম সাধাৰণত জানাযাৰ নামাজ মছজিদৰ বাহিৰতেই পঢ়াইছিল।

(বুখাৰী, মুছলিম, হাকিম, আহমদ)

৭৩)জানাযাৰ নামাজ কবৰস্থানত কবৰ সমূহৰ মাজত পঢ়া বৈধ নহয়।

(তাবৰানী মু'জামুল আওছাত)

৭৪)জানাযাৰ নামাজ পঢ়াওঁতে মৃত ব্যক্তি পুৰুষ হ'লে ইমাম মূৰৰ সম্মুখত থিয় দিব আৰু মহিলা হ'লে মাজত থিয় দিব।

(আবু দাউদ, তিৰমিজী, ইবনে মাজাহ)

৭৫)ইমাম জানাযাৰ নামাজত চাৰি, পাচঁ আৰু ৯ তাকবীৰ পৰ্যন্ত দিব পাৰে। এই গোটেইবোৰ নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা পমাণিত। কেতিয়াবা কেতিয়াবা এইবোৰৰ ওপৰতো আমল কৰা উচিত। যদি কোনো এটাৰ ওপৰত আমল কৰিব বিচাৰে তেন্তে চাৰি তাকবীৰৰ ওপৰত আমল কৰা উত্তম। কিয়নো চাৰি তাকবীৰৰ হাদিছ সমূহ মজবুত আৰু সংখ্যাতো বেছি। মুক্তাদি সকলেও ইমামৰ লগত তাকবীৰ কৰ।

(বুখাৰী, মুছলিম, তাহাৱী)

৭৬)জানাযাৰ নামাজত পথম তাকবীৰৰ সৈতে হাত উত্তোলন কৰিব।

(তিৰমিজী, দাৰুকুতনী)

পথম তাকবীৰৰ বাহিৰে আন তাকবীৰৰ সময়ত হাত উত্তোলন কৰাৰ কোনো বিশুদ্ধ হাদিছ পোৱা নাযায়।

হয় ! হজৰতে আব্দুল্লাহ বিন ওমৰ ৰাদিআল্লাহু আনহুমা সম্পৰ্কে বিশুদ্ধ বৰ্ণনা পোৱা যায় যে তেখেতে সকলো তাকবীৰৰ সময়ত হাত উত্তোলন কৰিছিল। (বাইহাকী)

৭৭)তাৰ পিছত সোঁ হাত বাওঁ হাতৰ গাঠিৰ ওপৰত অথবা বাহু ধাৰণ কৰি বুকুৰ ওপৰত ৰাখিব।

(বুখাৰী, আবু দাউদ, ইবনে খুজাইমাহ)

নাভিৰ তলত হাত বন্ধাৰ বৰ্ণনাটো দুৰ্বল যেনে ইমাম নাৱাৱী আৰু আল্লামা জাইলায়ী হানাফী আদি পখ্যাত বিদ্যান সকলে পমান কৰিছে।

৭৮)পথম তাকবীৰৰ পিছত ছুৰা ফাতিহা আৰু আন যিকোনো ছুৰা এটা পাঠ কৰিব।

(বুখাৰী, আবু দাউদ, নাছায়ী)

ছুৰা ফাতিহাৰ আগত দুআয়ে ছানা পঢ়াৰ কোনো পমান পোৱা নাযায়।

৭৯)কেৰাত নিম্ন স্বৰে কৰিব। (নাছায়ী পমূখ)

৮০)তাৰ পিছত দ্বিতীয় তাকবীৰ দিব আৰু দুৰুদ পাঠ কৰিব।

(কিতাবুল উম্ম লিছ শ্বাফেয়ী)

দুৰুদ সেইটো পঢ়িব যিটো সাধাৰণ নামাজত পঢ়া হয়।

৮১)তাৰ পিছত বাকী তাকবীৰ সমূহ দিব আৰু তাৰ ভিতৰত আন্তৰিক ভাৱে মৃত ব্যক্তিৰ কল্যাণৰ বাবে দুআ কৰিব।

(আবু দাউদ, ইবনে মাজাহ)

৮২)সেইবোৰ দুআ পাঠ কৰিব যিবোৰ এই পসংগত নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত আছে। এই বিষয়ে লিখকে চাৰি ধৰণৰ দুআ লিপিবদ্ধ কৰিছে তাৰে এটা দাঙি ধৰিলো।

اللهم اغفر لحينا وميتنا وشاهدنا وغائبنا وصغيرنا وكبيرنا وذكرنا وأنثانا اللهم من أحييته منا فأحيه على الاسلام ومن توفيته منا فتوفه على الإيمان اللهم لا تحرمنا أجره ولا تضلنا بعده.

আল্লা-হুম্মাগ ফিৰ্ লিহাইয়েনা অমাইয়েতিনা অশ্বা-হিদিনা অগা-য়িবিনা অছাগীৰিনা অকাবীৰিনা অজাকাৰিনা অউনছা-না, আল্ল-হুম্মা মান আহ ইয়াইতাহু মিন্না ফা আহয়িহি আলাল ইছলাম, অমান তাৱাফ ফাইতাহু মিন্না ফাতাৱাফ ফাহু আলাল ঈমান। আল্ল-হুম্মা লা-তাহৰিমনা আজৰাহু অলা তুজিল্লানা বা'দাহ।

(আবু দাউদ, তিৰমিজী, ইবনে মাজাহ, বাইহাকী)

'এটা বৰ্ণনাত "অলা তুজিল্লানা"ৰ ঠাইত "অলা তাফতিন্না" আহিছে।'

৮৩)দুআ সৰ্বশেষ তাকবীৰ আৰু ছালামৰ মাজত পাঠ কৰিব।

(বাইহাকী)

৮৪)তাৰ পিছত ফৰজ নামাজৰ নিচিনা দুয়ো ফালে ছালাম ফিৰাব।

(বাইহাকী)

৮৫)এফালে ছালাম কৰাও বৈধ। (দাৰুকুতনী)

ছালামৰ শব্দ হৈছে "السلام عليكم ورحمة الله" আচ্ছলামু আলাইকুম অৰাহমাতুল্লাহ'

ইয়াৰ লগত 'বাৰাকাতুহ' শব্দটো কোৱাও শুদ্ধ।

৮৬)জানাযাৰ নামাজত ছালাম ইমাম, মুক্তাদি উভয়ে লাহেকৈ ফিৰাব। হজৰতে আব্দুল্লাহ বিন ওমৰ ৰাদিআল্লাহু আনহুমা সম্পৰ্কে পোৱা যায় যে তেখেতে জানাযাৰ নামাজত ছালাম ইমান লাহেকৈ ফিৰাইছিল যে কেৱল নিকটবৰ্তী লোক সকলহে গম পাইছে। (কিতাবুল উম্ম লিছ শ্বাফেয়ী)

৮৭)বিশেষ কাৰণবিহীন তিনিটা সময়ত জানাযাৰ নামাজ পঢ়া ঠিক নহয়। যিবোৰ সময়ত সাধাৰণত নামাজ পঢ়িবলৈ নিষেধ কৰা হৈছে।

(সেই তিনিটা সময় হৈছে: সূৰ্যোদয়, মধ্যাহ্ন আৰু সূৰ্যাস্তৰৰ সময়ত। অনুবাদক)

(মুছলিম, আবু দাউদ, নাছায়ী)

## দাফন কাৰ্য আৰু তাৰ মছলা মাছাইল

৮৮)মৃত ব্যক্তিক দাফন কৰা ওৱাজীব যদিও সি কাফিৰে নহওক কিয়।

(বুখাৰী, মুছলিম, আহমদ)

৮৯)মুছলমান ব্যক্তিক কাফিৰৰ লগত আৰু কাফিৰক মুছলমানৰ লগত দাফন কৰা নহ'ব। বৰং মুছলমানক মুছলমানৰ কবৰস্থানত আৰু কাফিৰক কাফিৰ সকলৰ কবৰস্থানত দাফন কৰা হ'ব।

(আবু দাউদ, ইবনে মাজাহ)

৯০)মৃত ব্যক্তিক কবৰস্থানত দাফন কৰা ছুন্নত। যেনে নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ নিয়ম আছিল যে তেখেতে মুছলমান মৃত ব্যক্তিক মদীনাৰ 'বাক্বী' নামক কবৰস্থানত দাফন কৰিছিল।

হয়! নবী ছাল্লাল্লাহু আলাইহি অছাল্লামক দাফন কৰা বিষয়টো বেলেগ। সেইটো তেখেতৰ সৈতে নিৰ্দ্দিষ্ট। যেনে তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামক হজৰতে আইশ্বা ৰাদিআল্লাহু আনহাৰ হুজৰাত দাফন কৰা হৈছে। নবী সকলক সেই ঠাইতে দাফন কৰা হয় যি ঠাইত তেখেত সকল মৃত্যু বৰণ কৰে।

(তিৰমিজী)

৯১)যুদ্ধৰ ময়দানত শ্বহীদ হোৱা লোক সকল ইয়াৰ অন্তৰ্ভূক্ত নহয়। সিহঁতক মুছলমান সকলৰ কবৰস্থানত দাফন কৰাৰ পৰিবৰ্তে সেই ঠাইতে দাফন কৰা হ'ব যি ঠাইত সিহঁত শ্বহীদ হৈছে।

(আহমদ)

৯২)বিশেষ কোনো কাৰণ বিহীন নিম্নোক্ত সময়ত মৃত ব্যক্তিক দাফন কৰা ঠিক নহয়।

- নামাজৰ নিষিদ্ধ সময় তিনিটাত।

(মুছলিম, আবু দাউদ, নাছায়ী)

- ৰাতিৰ সময়ত। (মুছলিম )

কিয়নো ৰাতি জানাযাৰ নামাজত লোকৰ সংখ্যা কম হোৱাৰ আশংকা থাকে। অথচ লোকৰ সংখ্যা যিমান বেছি হ'ব মৃত ব্যক্তিৰ পক্ষে সিমানেই উপকাৰী।

৯৩)যদি কোনো কাৰণবশতঃ ৰাতি দাফন কৰিব লগা হয় তেন্তে সেয়া বৈধ। যদিও তাৰ বাবে বন্তি জ্বলাব লগা হয় আৰু কবৰৰ ভিতৰত পদীপ লৈ নামিব লগা হয়।

(ইবনে মাজাহ, তিৰমিজী)

৯৪)কবৰ দ'কৈ খান্দিব লাগে। কবৰ পসাৰ আৰু পৰিপাটিকৈ তৈয়াৰ কৰা ওৱাজীব।

(আবু দাউদ, নাছায়ী, তিৰমিজী)

৯৫)দুই ধৰণৰ কবৰ বৈধ।

সাধাৰণ কবৰ যিটো পায় সকলো ঠাইতে ব্যৱহাৰ কৰা হয়।

কবৰৰ ভিতৰত কিবলাৰ দিশত মৃত ব্যক্তিক থোৱাৰ কাৰণে বাকচৰ নিচিনা বনোৱা।

দুয়ো পকাৰ কবৰ বৈধ। কিয়নো নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত উভয় পকাৰ কবৰ ব্যৱহাৰ কৰা হৈছে। নি:সন্দেহে দ্বিতীয় পকাৰ কবৰ উত্তম।

(আবু দাউদ, নাছায়ী, ইবনে মাজাহ)

৯৬)পয়োজন হ'লে দুজন বা ততোধিক মুৰ্দা এটা কবৰত দাফন কৰা বৈধ। নিশ্চয় এনে ক্ষেত্ৰত পথমে সেই ব্যক্তিক কবৰত নমোৱা হ'ব যিজন উভয়ৰ মাজত উত্তম।

(বুখাৰী,নাছায়ী,তিৰমিজী,আহমদ)

৯৭)মৃত ব্যক্তি পুৰুষ হওক বা মহিলা তাক কবৰত নমোৱাৰ কাৰ্য পুৰুষেই কৰিব; মহিলাই নহয়। কাৰণ নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত এই ধৰণেই কৰা হৈছে। দৰাচলতে পুৰুষেই এই কামৰ যোগ্য।

(বুখাৰী, হাকিম)

৯৮)মৃত ব্যক্তিক কবৰত নমোৱাৰ বেছি হকদাৰ তেওঁৰ আত্মীয় সকল।

(ছুৰা আনফাল:৭৫ হাকিম, আবু দাউদ, তাহাৱী)

৯৯)স্বামীয়ে তেওঁৰ স্ত্ৰীক নিজেই কবৰত নমোৱাটো বৈধ।

(আহমদ, বুখাৰী, মুছলিম)

১০০)কিন্তু চৰ্ত হ'ল 'স্বামীয়ে সেই ৰাতি সহবাস নকৰা' যদি তেওঁ সহবাস কৰি থাকে তেন্তে বেলেগ আন কোনো লোকে তাইক কবৰত নমাব যদিও সি অপৰিচিত লোক নহওক কিয়। হয় এই চৰ্ত সেই ব্যক্তিৰ পতিও পযোজ্য যিয়ে তাইক কবৰত নমাব।

(অৰ্থাৎ- যি ব্যক্তি তাইক কবৰত নমাব তেওঁ সেই ৰাতি স্ত্ৰী সহবাস কৰা নহ'ব লাগে।)

(বুখাৰী, তাহাৱী, আহমদ, বাইহাকী)

১০১)মৃত ব্যক্তিক পা দিশে দি কবৰত নমোৱা ছুন্নত।

(আহমদ, ইবনে শ্বাইবা)

১০২)মৃত ব্যক্তিক কবৰত সোঁ কাতিত ৰাখিব লাগে। তাৰ মূখমণ্ডল কিবলামূখী হোৱা উচিত। তাৰ মূৰ আৰু ভৰি কিবলাৰ সোঁফালে আৰু বাওঁফালে হ'ব লাগে। নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগৰ পৰা এই নিয়মেই চলি আহিছে।

(আল মহাল্লা)

১০৩)মুৰ্দাক কবৰত ৰখাৰ সময়ত এই দুআ পাঠ কৰিব।

'بسم الله وعلى سنة رسول الله'

'বিছমিল্লাহি ওৱা আলা ছুন্নাতি ৰাছুলিল্লাহ'

অথবা এই দুআ পঢ়িব

بسم الله وعلى ملة رسول الله

'বিছমিল্লাহি ওৱা আলা মিল্লাতি ৰাছুলিল্লাহ'

নাইবা এইটো পঢ়িব

'بسم الله وبالله وعلى ملة رسول الله'

'বিছমিল্লাহি অবিল্লাহি ওৱা আলা মিল্লাতি ৰাছুলিল্লাহ'

(আবু দাউদ, তিৰমিজী, ইবনে মাজাহ, হাকিম)

১০৪)কবৰৰ ওচৰত উপস্থিত লোক সকলৰ বাবে মুস্তাহাব যে কবৰ বন্ধ কৰাৰ পিছত তিনি মু্ঠি মাটি লৈ তাৰ ওপৰত ঢালি দিয়া।

(ইবনে মাজাহ)

এই বিষয়ে কিছুমান শেহতীয়া ফকীহ সকলে দিয়া উক্তি যে পথম মুঠিত 'মিনহা খালাক্নাকুম' আৰু দ্বিতীয় মুঠিত 'ওৱা ফীহা নুঈদুকুম' আৰু তৃতীয় মুঠিত 'অমিনহা নুখৰিজুকুম তা-ৰাতান উখৰা' কোৱা মুস্তাহাব। উক্তিটো ঠিক নহয়।

এই বিষয়ে পমাণ স্বৰূপে মুছনাদ আহমদৰ এটা ৰিৱায়াত দাঙি ধৰা হয় যিটো এক সূত্ৰত জাল বুলি কোৱা হৈছে আৰু আন এক সূত্ৰত অতি দুৰ্বল বুলি কোৱা হৈছে।

গতিকে ইয়াৰ পৰা পমাণ দাঙি ধৰাটো সমীচিন নহয়।

১০৫)মুৰ্দাক দাফন কৰাৰ পিছত নিম্নোক্ত কাৰ্য সমূহ পালন কৰা ছুন্নত।

- কবৰ সমতল মাটিতকৈ কনিষ্ঠাঙ্গুলি পৰিমান ওখ ৰাখিব। সমতল হ'ব নালাগে, যাতে কবৰ বুলি চিনি পাব পাৰি আৰু তাৰ অপমান হোৱাৰ পৰা ৰক্ষা পাব পাৰি।

  (ইবনে হিব্বান, বাইহাকী)
- কবৰ উটৰ পিঠিৰ দৰে হব লাগে। (বুখাৰী, বাইহাকী)

- মৃত ব্যক্তিৰ কোনো আত্মীয়ক তেওঁৰ ওচৰত দাফন কৰিবলৈ কবৰ চিহ্ন ৰখাৰ বাবে শিল আদি ৰাখিব পাৰে।

  (আবু দাউদ)

- ইমাম তেওঁৰ কবৰৰ ওচৰত থিয় হৈ তেওঁৰ বাবে ক্ষমা পাৰ্থনা কৰিব লাগে। আৰু তাৰ সুদৃঢ়তাৰ বাবে দুআ কৰিব লাগে। আৰু উপস্থিত লোক সকলকো এইদৰে দুআ কৰাৰ আদেশ দিব লাগে।

  (আবু দাউদ, হাকিম)

১০৬)মুৰ্দা দাফন কৰা সময়ত উপস্থিত লোক সকলক নছীহত কৰাৰ বাবে তাত বহি মৃত্যু আৰু তাৰ পিছৰ অৱস্থা সম্পৰ্কে অৱহিত কৰা বৈধ।

(আবু দাউদ, নাছায়ী, ইবনে মাজাহ, হাকিম)

১০৭)ভাল উদ্দেশে মুৰ্দাক কবৰৰ পৰা উলিওৱা বৈধ। যেনে- যদি কোনো ব্যক্তিক গুছল আৰু কাফন বিহীন দাফন কৰা হৈছে তেন্তে তাক কবৰৰ পৰা তুলি গুছল দিয়া আৰু কাফন পৰিধান কৰোৱা বৈধ।

(বুখাৰী, মুছলিম, নাছয়ী)

১০৮)নিজৰ বাবে মৃত্যুৰ আগতে কবৰ খান্দি ৰখাটো কোনো মুছলমানৰ বাবে ঠিক নহয়। কাৰণ নবী ছাল্লাল্লাহু আলাইহি অছাল্লাম আৰু তেওঁৰ ছাহাবা সকলৰ পৰা ইয়াৰ কোনো পমান পোৱা নাযায়। আৰু আটাইতকৈ ডাঙৰ কথাটো হৈছে কোনোৱে নাজানে সি ক'ত মৃত্যু বৰণ কৰিব।

হয়! যদি কোনোবাই এইটো মৃত্যুৰ পস্তুতিৰ উদ্দেশ্যে কৰে তেন্তে নিশ্চিত ভাৱে এইটো পুন্য কামৰ অন্তৰ্ভূক্ত হ'ব।

(আল ইখতিয়াৰাতুল ঈলমীয়্যাহ লিশ্বাইখিল ইছলাম ইবনে তাইমিয়্যাহ)

**সমবেদনাৰ নিয়ম আৰু আদেশ সমূহ**

১০৯)মৃত ব্যক্তিৰ আত্মীয় সকলক তা'জীয়াত অৰ্থাৎ- সিহঁতক ধৈৰ্য্য ধাৰণ কৰিবলৈ উপদেশ দিয়া। ধৈৰ্য্য ধাৰণ কৰাৰ ফলাফল আৰু মুৰ্দা আৰু তেওঁৰ পৰিয়াল বৰ্গৰ বাবে দুআ কৰাটো এটা চৰিয়তি বিধান।

(নাছায়ী)

১১০)মৃত ব্যক্তিৰ পৰিয়াল বৰ্গক এনে কথাৰ জৰিয়তে সান্তনা দিব লাগে যাৰ দ্বাৰা সিহঁত সন্তোষ হ'ব। আৰু সিহঁতৰ চিন্তা দুৰ হোৱাৰ লগতে ধৈৰ্য আৰু শান্তি বিৰাজ হ'ব।

জনা থাকিলে নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা পমাণিত বাক্য সমূহৰ দ্বাৰা সমবেদনা জনাব লাগে। অন্যথা সেই সময়ৰ বাবে যিটো ভাল হয় সেই কথাৰ দ্বাৰা সিহঁতক সান্তনা দিব লাগে। মনত ৰাখিব কোনো কথাৰ দ্বাৰা যাতে চৰিয়তৰ বিৰোদ্ধাচৰণ নহয়।

লিখকে এই সম্পৰ্কে নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা চাৰি ধৰণৰ বাক্য লিপিবদ্ধ কৰিছে তাৰে দুটামান ইয়াত বৰ্ণনা কৰিলো।

(ক)

إن لله ما أخذ ولله ما أعطى وكل شيئ عنده إلى أجل مسمى فلتصبر ولتحتسب.

অৰ্থাৎ- আল্লাহে যিটো লৈছে সিটো তেওঁৰেই। যিটো তেওঁ পদান কৰিছিল সিটো তেওঁৰেই আছিল। তেওঁৰ ওচৰত পত্যেক বস্তুৰ এটা নিৰ্দ্দিষ্ট সময় কাল আছে।গতিকে ধৈৰ্য্য ধাৰণ কৰা আৰু পুণ্যৰ আশা কৰা।

(বুখাৰী, মুছলিম)

(খ) হজৰতে আবু ছালমাৰ মৃত্যুত তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামে নিম্নোক্ত বাক্যৰ দ্বাৰা সমবেদনা জ্ঞাপন কৰিছিল।

اللهم اغفر لإبي سلمة وارفع درجته في المهديين واخلفه في عقبه في الغابرين واغفرلنا وله يا رب العالمين وافسح له في قبره ونور له فيه.

অৰ্থাৎ- হে আল্লাহ! আবু ছালমাক ক্ষমা কৰা। হিদায়াত পাপ্ত লোক সকলৰ মাজত তেওঁক উচ্চ মৰ্য্যদা পদান কৰা। এৰি থৈ যোৱা লোক সকলৰ তত্বাৱধায়ন কৰা। হে বিশ্ব বহ্মাণ্ডৰ পতি পালক আমাক আৰু তেওঁক ক্ষমা কৰা।আৰু তেওঁৰ বাবে তেওঁৰ কবৰক পসাৰিত কৰা আৰু আলোকিত কৰা।

(মুছলিম পমূখ)

১১১)এই ধাৰণা ঠিক নহয় যে সমবেদনা মাত্ৰ তিনি দিনহে জ্ঞাপন কৰিব পাৰি।বৰং যেতিয়া সমবেদনা জ্ঞাপন কৰাৰ সুযোগ পায় তেতিয়াই জ্ঞাপন কৰিব পাৰে।

নবী ছাল্লাল্লাহু আলাইহি অছাল্লাম তিনি দিনৰ পিছতো সমবেদনা পদান কৰিছে। (মুছনাদ আহমদ)

১১২)সমবেদনা সম্পৰ্কে দুটা বস্ৰ পৰা বিৰত থকা অত্যান্ত জৰুৰী যিটো সাধাৰণ ভাৱে বহু পচলিত।

- কোনো বিশেষ ঠাই যেনে- ঘৰ, কবৰস্থান, অথবা মছজিদ আদিত একত্ৰিত হৈ সমবেদনা পদান কৰা।
- সমবেদনা পদান কৰিবলৈ অহা লোক সকলৰ বাবে খোৱা বোৱাৰ আয়োজন কৰা। (আহমদ, ইবনে মাজাহ)

আল্লামা ইবনু হামাম হানাফী ৰাহিমাহুল্লাহ হিদায়াৰ ব্যখ্যাত এই সম্পৰ্কে খোৱাৰ আয়োজন কৰাক জঘন্য বিদআত বুলি কৈছে।

১১৩)মৃত ব্যক্তিৰ পৰিয়াল বৰ্গৰ বাবে আত্মীয় সকলে আৰু পতিবেশীয়ে খাদ্য বস্তুৰ যোগান ধৰা ছুন্নত।

(আবু দাউদ, তিৰমিজী)

১১৪)ইয়াতীম বা মাউৰা ল'ৰা ছোৱালীৰ মূৰত হাত ৰখা আৰু মৰম চেনেহ দিয়া মুস্তাহাব।

(আহমদ, হাকিম, বাইহাকী)

## মৃত ব্যক্তিৰ পতি ঈছালে ছাৱাব

১১৫)বেলেগৰ যিবোৰ আমলৰ দ্বাৰা মৃত ব্যক্তি উপকাৰিত হয় সেয়া নিম্নধৰণৰ:

- কোনো মুছলমানে তেওঁৰ বাবে দুআ কৰা। হয়! দুআ গহণযোগ্য হোৱাৰ যিবোৰ চৰ্ত আছে সেইবোৰ তাৰ মাজত থাকিব লাগিব অন্যথা কোনো কামত নাহিব। (মুছলিম)
- মৃত ব্যক্তিয়ে ৰোজা ৰখাৰ মান্নত কৰিছিল কিন্তু পূৰণ কৰাৰ আগতেই তেওঁৰ মৃত্যু হৈছে তেনে অৱস্থাত যদি মৃত ব্যক্তিৰ অভিভাৱকে তেওঁৰ পক্ষৰ পৰা ৰোজা পালন কৰে তেন্তে সেই ছোৱাব মৃত ব্যক্তিয়ে পাব।
(বুখাৰী, মুছলিম)
- মৃত ব্যক্তিৰ তৰফৰ পৰা ঋণ পৰিশোধ কৰিলে তেওঁ উপকাৰিত হয়। সেই ঋণ অভিভাৱকে আদায় কৰক বা আন কোনেৱে। (মুছনাদ আহমদ, আবু দাউদ, ইবনে মাজাহ, বাইহাকী)
- এৰি থৈ যোৱা নেক সন্তান যিজন পূণ্যৰ কাম কৰে;সেই সন্তানে যি পৰিমান ছোৱাব অৰ্জন কৰিব সেই পৰিমান ছোৱাব তেওঁৰ পিতৃ মাতৃৰ

আমল নামাতো যোগ হ'ব। কিয়ানো সন্তান তেওঁৰ উপাৰ্জন ও কষ্টৰ ফলাফল।

(আবু দাউদ, নাছায়ী, তিৰমিজী)

বিশেষকৈ হাদিছত সন্তানৰ তৰফৰ পৰা তেওঁৰ পিতৃ মাতৃৰ বাবে দান খয়ৰাত কৰা, ৰোজা ৰখা, দাস মূক্তি কৰা ইত্যাদি বৰ্ণনা পোৱা যায়। ছদকা সম্পৰ্কে দলীল সমূহ পমান কৰে যে মৃত ব্যক্তি কেৱল সেই ছদকাৰ ছোৱাব পায় যিটো তেওঁৰ সন্তান সকলৰ তৰফৰ পৰা কৰা হয়।

মৃত ব্যক্তিৰ বাবে তেওঁৰ সেই নেক আমল আৰু ছদকায়ে যাৰিয়াৰ ছোৱাব অব্যাহত থাকে যিবোৰ তেওঁ জীৱিত অৱস্থাত কৰি গৈছে। (মুছলিম, আবু দাউদ, নাছায়ী)

## কবৰ জীয়াৰত সম্পৰ্কে মছলা মাছাইল

১১৬)নছীহত, শিক্ষা আৰু পৰকাল স্মৰণ কৰাৰ বাবে কবৰ জীয়াৰত কৰাৰ চৰিয়তে আদেশ দিছে।

মনত ৰখা উচিত আল্লাহৰ বাহিৰে কবৰবাসীৰ ওচৰত যাতে পাৰ্থনা কৰা নহয় আৰু সহায় বিচৰা নহয়। অন্যথা আল্লাহৰ শাস্তি অতি কঠোৰ।

(মুছলিম, আবু দাউদ)

১১৭)পুৰুষৰ দৰে মহিলা সকলৰ বাবেও কবৰ জীয়াৰত কৰা মুস্তাহাব।

(হাকিম, বাইহাকী)

১১৮)কিন্তু মহিলা সকলৰ বাবে অধিক কবৰ জীয়াৰত কৰা নিষেধ।

(তিৰমিজী)

কিয়নো এনে কৰিলে কবৰত চৰিয়ত বিৰোধী আমল হোৱাৰ আশংকা থাকে। যেনে- মৃত ব্যক্তিৰ বাবে চিঞঁৰি চিঞঁৰি ক্ৰন্দন কৰা, পৰ্দাহীনতা,সময়ৰ অপব্যয় ইত্যাদি।

এইদৰে কবৰস্থান, ভ্ৰমনস্থানত পৰিণত হোৱাৰ বিশেষ আশংকা থাকে।

১১৯)ইছলাম ব্যতীত আন কোনো ধৰ্মত মৃত্যুবৰণ কৰা ব্যক্তিৰ কবৰ জীয়াৰত কৰা কেৱল শিক্ষা গহণৰ বাবে বৈধ।

(মুছলিম, আহমাদ, আবু দাউদ, নাছায়ী, ইবনে মাজাহ)

**কবৰ জীয়াৰতৰ দুটা উদ্দেশ্য**

মৃত্যু আৰু মুৰ্দাক স্মৰণ কৰা জীয়াৰত কাৰী ব্যক্তিৰ বাবে উপকাৰী। জীয়াৰত কাৰী ব্যক্তি এই স্মৰণৰ দ্বাৰা উপলব্ধি কৰে যে এই মৃত ব্যক্তি সকলৰ পৰিণাম জান্নাত বা জাহান্নাম। এই উপলব্ধিয়েই হৈছে কবৰ জীয়াৰতৰ পথম উদ্দেশ্য। দ্বিতীয় উদ্দেশ্য হৈছে: মৃত ব্যক্তি সকলক ছালাম কৰি সিহঁতৰ বাবে ক্ষমা পাৰ্থনা কৰি সিহঁতক উপকাৰ কৰা।(আহমদ)

কবৰ জীয়াৰত কৰাৰ সময়ত কিভাৱে ছালাম কৰিব লাগে আৰু কিদৰে মৃত ব্যক্তিৰ বাবে ক্ষমা পাৰ্থনা কৰিব লাগে, এই পসংগত নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণিত তিনিটা দুআ তলত উল্লেখ কৰিলো।

১)

السلام عليكم أهل دار قوم مؤمنين وإنا وإياكم وما توعدون غدا مؤجلون وإنا إن شاء الله بكم لاحقون اللهم اغفر لأهل بقيع الغرقد.

আচ্ছলামু আলইকুম আহলা দাৰি কাউমিন মু'মিনীন, অইন্না অইয়্যাকুম অমা তুআদুনা গাদান মুআজ্জালুন, অইন্না ইনশ্বা আল্লাহু বিকুম লাহিকুন,আল্লা-হুম্মাগফিৰ লিআহলি বাকীইল গাৰকাদ'

২)

السلام على أهل الديار من المؤمنين والمسلمين ويرحم الله المستقدمين منا والمستأخرين وإنا إن شاء الله بكم لاحقون.

আচ্ছলামু আলা আহলিদ দিয়াৰি মিনাল মু'মিনীনা অলমুছলিমীন, অয়াৰহামুল্লা-হুল মুছতাকদিমীনা মিন্না অলমুছতা'খিৰীন, অইন্না ইনশ্বা আল্লা-হু বিকুম লাহিকুন৹

৩)

السلام على أهل الديار من المؤمنين والمسلمين وإنا إن شاء الله بكم لاحقون. أنتم لنا فرط ونحن لكم تبع أسأل الله لنا ولكم العافية.

আচ্ছলামু আলা আহলিদ দিয়াৰি মিনাল মু'মিনীনা অলমুছলিমীন, অইন্না ইনশ্বা আল্লা-হু বিকুম লাহিকুন, আনতুম লানা ফাৰা্তুন অনাহনু লাকুম তাব্উন আছ আলুল্লাহা লানা অলাকুমুল আফিয়া"

১২০)কবৰ জীয়াৰত কৰাৰ সময়ত কোৰআন তিলাওৱাত কৰাৰ কোনো পমান নাই। বৰং জীয়াৰত সম্পৰ্কে অহা হাদিছ সমূহৰ দ্বাৰা নিষেধ হোৱাৰ ইঙ্গিত পোৱা যায়। কাৰণ যদি কোৰআন পাঠ কৰা চৰিয়ত সন্মত হ'লেহেতেন তেন্তে

নবী ছাল্লাল্লাহু আলাইহি অছাল্লাম স্বয়ং নিজে এইটো আমল কৰিলেহেতেন আৰু ছাহাবা সকলকো ইয়াৰ ওপৰত আমল কৰাৰ নির্দেশ দিলেহেতেন।

হজৰতে আইশ্বা ৰাদিআল্লাহু আনহা যিজনী নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ আটাইতকৈ পিয় আছিল;তেওঁৰ এই পশ্ন উত্তৰত যে 'কবৰ জীয়াৰত কৰাৰ সময়ত কি পঢ়িব লাগে ? তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতক ছালাম আৰু দুআৰ সেই শব্দ বোৰেই শিকাইছিল যিবোৰ আমি ওপৰত উল্লেখ কৰিছো। যদি কোৰআন পঢ়া বৈধ হ'লেহেতেন তেন্তে সেই সময়ত তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামে নিশ্চয় আদেশ দিলেহেতেন।

আৰু যদি তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লাম ছাহাবা সকলক আদেশ কৰা হ'লেহেতেন তেন্তে নিশ্চয় আমালৈ সেয়া বিশুদ্ধ সূত্রত পোঁছিলেহেতেন। গতিকে এই বিষয়ে ছহীহ হাদিছ নোহোৱাৰ কাৰণে এইটো পমাণিত হয় যে সেই সময়ত কবৰ জীয়াৰত কৰাৰ সময়ত কোৰআন পাঠ কৰাৰ কোনো পথা নাছিল।

১২১)কবৰৰ ওচৰত কবৰ বাসীৰ বাবে হাত তুলি দুআ কৰা বৈধ।

(আহমদ)

১২২)দুআ কৰাৰ সময়ত কিবলা অভিমূখি থিয় দিয়া উচিত। কবৰৰ ফালে নহয়। কাৰণ দুআ ইবাদত আৰু ইবাদতৰ বাবে কিবলা সন্মুখ হোৱা উচিত। পখ্যাত ফকীহ ইমাম আবুল হাচান মুহাম্মদ বিন মাৰজুক তেওঁৰ পুথি 'আল জানাইয'ৰ ভিতৰত লিখিছে:

'কবৰক সন্মান জনাই স্পর্শ কৰা আৰু চুম্বন কৰা আদি নিষেধ। আৰু এয়া স্পষ্ট বিদআত। এনে কার্যৰ পৰা নিজেও বিৰত থাকিব লাগে আৰু আনকো বিৰত ৰাখিব লাগে।

যেতিয়া কোনো ব্যক্তি মৃত ব্যক্তিক ছালাম কৰিব বিছাৰে তেতিয়া সন্মুখৰ পৰা ছালাম কৰিব লাগে। আৰু যেতিয়া তাৰ বাবে দুআ কৰিব বিছাৰে তেতিয়া তাৰ পৰা আতঁৰ হৈ কিবলা অভিমূখে থিয় হৈ দুআ কৰিব লাগে।

ইমাম আবু হানিফা আৰু আন আন ফকীহ সকলৰ এইটোৱে মছলক।

১২৩)কাফিৰৰ কবৰত ছালাম ও দুআ একো কৰিব নাপায়। বৰং তাক জাহান্নামৰ শাস্তিৰ সংবাদ শুনাব লাগে।

(তাব্ৰানী)

১২৪)জোতা চেণ্ডেল আদি পিন্ধি মুছলমানৰ কবৰস্থানত খোজ কাঢ়িব নাপায়।

(আছহাবুছ ছুনান ইত্যাদি)

১২৫)ফুল আদি কবৰত ৰখা নিষেধ। কাৰণ ছাহাবা সকল এনে কৰা নাছিল। যদি এয়া কোনো পূণ্যৰ কাম হ'লেহেতেন তেন্তে নিশ্চয় ছাহাবা সকল আমাৰ আগতেই সেইটো কৰিলেহেতেন।

## কবৰৰ ওচৰত যিবোৰ কাৰ্য কৰা হাৰাম

১২৬)কবৰৰ ওচৰত বা কবৰ সম্পৰ্কে নিম্নোক্ত কাম সমূহ কৰা হাৰাম।

১) কবৰৰ ওচৰত আল্লাহৰ সন্তোষ্টিৰ বাবে জন্তু জবেহ কৰা বা কুৰবানী কৰা।

আব্দুৰ ৰাজ্জাক বিন হামাম ৰাহিমাহুল্লাহে কয় যে অজ্ঞতা যুগত সিহঁত কবৰৰ ওচৰত গৰু,ছাগলি আদি জবেহ কৰিছিল।নবী ছাল্লাল্লাহু আলাইহি অছাল্লামে ইয়াৰ পৰা নিষেধ কৰিছে।

(মুছান্নাফ আব্দুৰ ৰাজ্জাক, আবু দাউদ, আহমদ)

২)বাহিৰৰ পৰা মাটি আনি কবৰ ওখ কৰা।

৩)গুম্বুজ আদি সাজি সুসজ্জিত কৰা।

৪)কবৰৰ ওপৰত লিখা।

৫)কবৰৰ ওপৰত অটালিকা, ঘৰ, গুম্বুজ আদি তৈয়াৰ কৰা।

৬)কবৰৰ ওপৰত বহা।

(মুছলিম, আবু দাউদ, নাছায়ী, তিৰমিজী)

৭)কবৰ অভিমূখে নামাজ পঢ়া। (মুছলিম)

৮)কবৰৰ ওচৰত নামাজ পঢ়া যদিও কবৰ সন্মুখত হওক বা নহওক।

(আবু দাউদ, তিৰমিজী, ইবনে মাজাহ)

৯) কবৰৰ ওপৰত মছজিদ তৈয়াৰ কৰা । (বূখাৰী, মুছলিম)

১০)ইবাদত কৰাৰ উদ্দেশ্যে বিশেষ সময় ও সুযোগ বুজি কবৰৰ ওচৰত মেলা বা উৰুছ আদি আয়োজন কৰা।

(আবু দাউদ, আহমদ)

১১)ছোৱাবৰ আশাত কবৰ জীয়াৰতৰ বাবে ভ্রমন কৰা।

(বুখাৰী, মুছলিম)

কুজআ ৰাহিমাহুল্লাই কয়- মই তুৰ পর্বত্লৈ ভ্রমন কৰাৰ সংকল্প কৰিলো। মই মোৰ সংকল্প কৰা কথাষাৰ হজৰতে ইবনে ওমৰৰ ওচৰত ব্যক্ত কৰিলো। তেখেতে কলে : কেৱল তিনিটা মছজিদৰ ফালে ভ্রমন কৰা বৈধ। মছজিদে হাৰাম, মছজিদে নবাৱী, আৰু মছজিদে আকছা। তুমি এই সংকল্প পৰিত্যাগ কৰা।

(আল আজৰুকী ফি আখবাৰে মক্কা)

১২)কবৰৰ ওচৰত পদীপ জ্বলোৱা। ছালাফে ছলেহীনৰ পৰা এনে কোনো পমান পোৱা নাযায়।

এনে কৰা সম্পদৰ অপব্যয় আৰু জুই পুজাৰী সকলৰ সাদৃশ্যতা।

১৩)কবৰত থকা হাড় সমুহ চুর্ণ বিচুর্ণ কৰা।

(বুখাৰী ফিত তাৰীখ, আবু দাউদ, ইবনে মাজাহ)

পৰিতাপৰ বিষয় বর্তমান যুগত ইছলামী পশাসনেও ইউৰোপৰ অনুসৰণ কৰি জৰাজীর্ণ ধ্বংশ পাপ্ত অটালিকা বোৰৰ সংৰক্ষণ ঐতিহ্যৰ নামত কৰে;কিন্তু ৰাজপথ, ৰাস্তা আদি পসাৰ কৰিবলৈ আৰু আন আন কাম কৰিবলৈ কবৰস্থানৰ সন্মান বজায় নাৰাখে। বৰং খান্দি পেলাই দিয়ে। তেনে অৱস্থাত নাজানো কিমান হাড় ভাঙি চুর্ণ বিচুর্ণ হয়।

১৪)কাফিৰ সকলৰ কবৰ খান্দি পেলোৱা বৈধ। কাৰণ সিহঁতৰ সন্মানৰ কোনো পশ্রয় নুঠে।

(বুখাৰী, মুছলিম)

## জানাযা সম্পৰ্কে কিছুমান বিদআত

১)মুমূৰ্ষু অৱস্থাত পৰিণত মুছলমানৰ কাষত কোৰআন মাজীদ ৰখা।
২)মৃত্যুৰ নিকটবৰ্তী লোকৰ ওচৰত ছুৰা ইয়াছীন পাঠ কৰা।
৩)মুমূৰ্ষু ব্যক্তিৰ মূখমণ্ডল কিবলা দিশত ঘুৰাই দিয়া।
৪)মৃত্যুৰ পিছত মুৰ্দাৰ ওচৰৰ পৰা ঋতুৱতী আৰু নিফাছ অৱস্থাত থকা নাৰী আৰু অপৱিত্ৰ লোকক আতঁৰাই দিয়া।
৫)যি সকল ব্যক্তিৰ সন্মুখত মৃত ব্যক্তি পাণ হৰিছে সেই সকল লোকৰ সাত দিনলৈ কোনো কাম নকৰা।
৬)এনে বিশ্বাস পোষন কৰা যে যি ঠাইত তেওঁৰ মৃত্যু হৈছে সেই ঠাইত তেওঁৰ আত্মা অহা যোৱা কৰে।
৭)য'ত মৃত্যু বৰণ কৰিছে সেই ঠাইত গছৰ সেউজীয়া ডাল ৰখা।
৮)গুছল দিয়া পৰ্যন্ত কোৰআন তিলাওৱাত কৰা।
৯)মৃত ব্যক্তিৰ নখ আৰু নাভিৰ তলৰ চুলি ছাফ কৰা।
১০)দাফন নকৰালৈকে খোৱা বোৱা নকৰা।
১১)এনে বিশ্বাস পোষন কৰা যে যি ব্যক্তিৰ মৃত্যু জুমআৰ ৰাতি অথবা জুমআৰ দিনা হয় তেওঁক কবৰত মাত্ৰ খন্তেক সময়ৰ বাবে শাস্তি দিয়া হয়। তাৰ পিছত কিয়ামত পৰ্যন্ত তাৰ কোনো শাস্তি নাই।
১২)মুৰ্দা ব্যক্তিক য'ত গুছল দিয়া হৈছে সেই ঠাইত তিনি দিন পৰ্যন্ত খাদ্য বস্তু ৰখা।

১৩)মুৰ্দা ব্যক্তিক গুছল দিয়াৰ সময়ত কোনো বিশেষ দুআ পাঠ কৰা।
১৪)নাৰীৰ চুলি তাইৰ বুকুৰ ওপৰত ওলমাই দিয়া।
১৫)সন্মানীয় আৰু পূণ্যবান লোকৰ ওচৰত দাফন কৰিবলৈ মুৰ্দাক বহু দুৰলৈ স্থানান্তৰ কৰা।
১৬)কাফনৰ ওপৰত কোনো দুআ লিখা।
১৭)জানাযাৰ আগত পতাকা লৈ যোৱা।
১৮) জানাযাৰ আগত ফুলৰ মালা আৰু মৃত ব্যক্তিৰ ছবি লৈ যোৱা।
১৯)এনে বিশ্বাস পোষন কৰা যে যদি মৃত ব্যক্তি নেক হয় তেন্তে তাৰ জানাযা পাতল হয়।
২০)ছদকা খয়ৰাতৰ বস্তু জানাযাৰ লগত লৈ যোৱা।
২১)জানাযা উঠাবলৈ আৰম্ভনি বাধ্যতা মূলক ভাৱে সোঁ ফালৰ পৰা কৰা।
২২)জানাযা চাৰিওফালৰ পৰা দহ খোজ উঠাই লৈ যোৱা।
২৩)জানাযা লৈ যোৱা সময়ত জিক্ৰ কৰা,কোৰআন পঢ়া, বা বিভিন্ন ধৰণৰ কবিতা পাঠ কৰা।
২৪)জানাযাৰ পিছত জুইৰ কুৰা লৈ যোৱা।
২৫)দৈনিক সূৰ্যাস্থ যোৱাৰ পিছত সেই সমূহ মুছলমান লোকৰ গায়েবানা জানাযাৰ নামাজ পঢ়া যিহঁতৰ মৃত্যু হৈছে।
২৬)জানাযাৰ নামাজৰ সময়ত ওজৰবিহীন জোতা চেণ্ডেল আদি খুলি নামাজ পঢ়া।
২৭)ইমাম জানাযাৰ নামাজ পঢ়াওঁতে পুৰুষ মুৰ্দাৰ মাজত আৰু নাৰীৰ মূৰৰ সন্মুখত থিয় দিয়া।
২৮)দুআ ছানা পঢ়া।
২৯)ছুৰা ফাতিহা আৰু কোনো ছুৰা পাঠ নকৰা।
৩০)দাফন কৰাৰ আগত মৃত ব্যক্তিৰ চাৰিওফালে ঘুৰি জিক্ৰ কৰা ও দুআ কৰা।
৩১)মুৰ্দাক কবৰত পৱেশ কৰোৱাৰ সময়ত আজান দিয়া।
৩২)মুৰ্দাক কবৰত মূৰ ৰখা ফালে দি কবৰত পৱেশ কৰোৱা।
৩৩)পয়োজন বিহীন মুৰ্দাৰ তলত বালু ছটিয়াই দিয়া।
৩৪)কবৰত মৃত ব্যক্তিৰ মূৰৰ তলত গাৰু আদি ৰখা।
৩৫)কবৰৰ ভিতৰত মুৰ্দা ব্যক্তিৰ ওপৰত গুলাব জল আদি ছটিওৱা।

৩৬)মৃত ব্যক্তিক মাটি দিয়াৰ সময়ত পথম মুঠিত মিনহা খালাক্‌নাকুম আৰু দ্বিতীয় মুঠিত অফীহা নুইদুকুম আৰু তৃতীয় মুঠিত অমিনহা নুখৰিজুকুম তা-ৰাতান উখৰা' পঢ়া।

৩৭)মৃত ব্যক্তিৰ মৰৰ কাষত ছুৰা ফাতিহা পাঠ কৰা।আৰু ভৰিৰ ওচৰত ছুৰা বাকাৰাৰ আৰম্ভনিৰ আয়াত সমূহ পাঠ কৰা।

৩৮)কবৰৰ চাৰি কোণত চাৰি কুল পাঠ কৰা। (অনুবাদক)

৩৯)মহিলাৰ কবৰত দুটা শিল পুতি দিয়া।

৪০)দাফন কৰাৰ পিছত ঘৰত সেই সময় পৰ্যন্ত পৱেশ নকৰা যেতিয়া লৈকে হাত ভৰি ধোৱা নহয়।

৪১)কবৰৰ ওচৰত ছদকা খয়ৰাত কৰা।

৪২)মূৰৰ পৰা আৰম্ভ কৰি গোটেই কবৰৰ ওপৰত পানী দিয়া। অৱশেষত বেছি হোৱা পানী মাজত ঢালি দিয়া।

৪৩)কবৰৰ ওচৰত সমবেদনা পদান কৰা।

৪৪)সমবেদনাৰ বাবে কোনো ঠাইত একত্ৰিত হোৱা।

৪৫)সমবেদনা কেৱল তিনি দিন পৰ্যন্ত সীমিত কৰা।

৪৬)মৃত ব্যক্তিৰ পৰিয়াল বৰ্গৰ তৰফৰ পৰা জানাযাত অংশ লোৱা লোক সকলৰ বাবে খোৱা লোৱাৰ আয়োজন কৰা।

৪৭)মৃত্যুৰ দিনা, সপ্তম দিনা,চল্লিশ তম দিনা আৰু বছৰৰ শেষ দিনা খোৱাৰ আয়োজন কৰা।

৪৮)মৃত্যুৰ পিছত পথম বৃহস্পতি বাৰে দাৱাত কৰা।

৪৯)এই কথাৰ উপদেশ দিয়া যে কিছুমান লোকে যেন মোৰ কবৰত চল্লিশ দিন পৰ্যন্ত অথবা তাতকৈ কম বা বেছি ৰাতি জাগৰণ কৰে।

৫০)কোৰআন পাঠ কৰা, তছবীহ ও তাহলীল কৰা, দৰুদ আদি পঢ়িবলৈ বিশেষ সময় নিৰ্ধাৰণ কৰা। যাতে এই কাম সমূহৰ ছোৱাব মৃত ব্যক্তিৰ আত্মাক অথবা জীয়াৰত কাৰী লোক সকলক পদান কৰিব পাৰি।

৫১)মৃত ব্যক্তিৰ আটাইতকৈ পিয় খাদ্য ছদকা কৰা।

৫২)ৰজব, শ্বাবান, ৰমজান আদি মাহত মৃত ব্যক্তিৰ ৰূহৰ কল্যাণৰ বাবে ছদকা কৰা।

৫৩)ইছালে ছোৱাব (পূণ্য পদান)ৰ বাবে মৃত ব্যক্তিৰ কাৰণে কোৰআন পাঠ কৰা।

৫৪)কবৰৰ ওচৰত বহি কোৰআন খতম কৰা।

৫৫)কবৰৰ ওপৰত চাল আদি বনোৱা।
৫৬)মৃত্যু বৰণ কৰাৰ আগতেই নিজৰ বাবে কবৰ খান্দি ৰখা।
৫৭)পত্যেক জুমআৰ দিন পিতৃ মাতৃৰ কবৰ জীয়াৰত কৰিবলৈ যোৱা।
৫৮)এই বিশ্বাস পোষণ কৰা যে বৃহস্পতি বাৰে যেতিয়া মৃত ব্যক্তিৰ জীয়াৰতৰ বাবে কোনো নাহে তেতিয়া আন আন মৃত ব্যক্তি সকলৰ মাজত তেওঁ অকলশৰীয়া বুলি অনুভৱ কৰে। আৰু এনে আস্থা ৰখা যে মৃত ব্যক্তি তেওঁৰ জীয়াৰত কাৰীক নগৰ-পাচীৰ পাৰ হোৱাৰ সময়তে চিনি পায়।
৫৯)মুহৰ্ৰাম মাহৰ দহ তাৰিখে কবৰ জীয়াৰত কৰাৰ বাবে যোৱা।
৬০)১৫ শ্বাবানৰ ৰাতি কবৰ জীয়াৰত কৰিবলৈ যোৱা। আৰু তাত আলোকিত কৰা।
৬১)দুই ঈদৰ দিনা, ৰজব, শ্বাবান, আৰু ৰমজান মাহত বিশেষকৈ কবৰ জীয়াৰত কৰা।
৬২)সোমবাৰে আৰু বৃহস্পতিবাৰে কবৰ জীয়াৰত কৰিবলৈ যোৱা।
৬৩)কবৰৰ ওচৰত নামাজৰ দৰে হাত বান্ধি থিয় হোৱা। আকৌ কিছু সময়ৰ পিছত বহা।
৬৪)কবৰ জীয়াৰতৰ বাবে তায়াম্মুম কৰা।
৬৫)কবৰ জীয়াৰতৰ সময়ত দুই ৰাকাত নামাজ আদায় কৰা। পত্যেক ৰাকাতত ছুৰা ফাতিহাৰ পিছত এবাৰ আয়াতুল কুৰছী আৰু তিনিবাৰ কুলহু আল্লাহু আহাদ পঢ়া। আৰু তাৰ ছোৱাব কবৰ বাসীলৈ পদান কৰা।
৬৬)মৃত ব্যক্তি সকলৰ বাবে ফাতিহা পঢ়া।
৬৭)কবৰৰ ওচৰত ছুৰা ইয়াছীন তিলাওৱাত কৰা।
৬৮)১১ বাৰ কুলহু আল্লাহু আহাদ পঢ়া।
৬৯)জোনাক ৰাতি কবৰস্থানত সভা আদিৰ আয়োজন কৰা।
৭০)বিশেষ কিছুমান কবৰ জীয়াৰতক হজ্জ বুলি গণ্য কৰা।
৭১) নামাজ আৰু কোৰআন তিলাওৱাতৰ দৰে ইবাতৰ ছোৱাব মৃত ব্যক্তিলৈ পদান কৰা।
৭২)নেক আমলৰ ছোৱাব নবী ছাল্লাল্লাহু আলাইহি অছাল্লামলৈ পেৰণ কৰা।
৭৩)কোৰআন পঢ়ি মৃত ব্যক্তিলৈ ইছালে ছোৱাব কৰা ব্যক্তিক মজুৰী দিয়া।
৭৪)এনে বিশ্বাস পোষণ কৰা যে নবী সকল আৰু পূণ্যবান লোক সকলৰ কবৰৰ ওচৰত দুআ গহণ যোগ্য হয়।
৭৫)এই আশাত কাৰো কবৰলৈ যোৱা যে তাত গ'লে দুআ কবুল হ'ব।

৭৬)এই বিশ্বাস পোষণ কৰা যে যি ঠাইত পূণ্যবান লোকৰ কবৰ আছে সেই ঠাইৰ লোক সকল তেওঁৰ কৰুণাত জীৱিকা পায়। আৰু অদৃশ্য ভাৱে সিহঁতৰ সহায় কৰা হয়।

৭৭)কিছুমান ছুফি সকলৰ নিজ মূৰীদ সকলক এই উপদেশ দিয়া যে যেতিয়া আল্লাহৰ ওচৰত কিবা বিচাৰিব লাগে তেতিয়া মোক মাতিবা অথবা মোৰ কবৰত আহি পাৰ্থনা কৰিবা।

৭৮)কোনো ওৱালী বা পূণ্য বান লোকৰ কবৰৰ ওচৰত থকা গছ বা শিলক পৱিত্ৰ গণ্য কৰা আৰু এই বিশ্বাস ৰখা যে যিয়ে তাক কাটিব বা ভাঙিব সি ক্ষতিগস্থ হ'ব।

৭৯)নবী সকল আৰু পূণ্যবান লোক সকলৰ কবৰ জীয়াৰতৰ বাবে ভ্ৰমন কৰা।

৮০)কবৰস্থানত ঘৰ বনাই বসবাস কৰা।

৮১)কবৰক সুসজ্জিত কৰা।

৮২)কবৰস্থানত কোৰআন লৈ যোৱা আৰু কবৰৰ ওচৰত দেখি দেখি পাঠ কৰা।

৮৩)কবৰস্থানত কোৰআন পাঠ কাৰী সকলৰ বাবে কোৰআন ৰাখি থোৱা।

৮৪)আউলিয়া সকলৰ কবৰত সূতা আদি বান্ধা যাতে তাক ওৱালীয়ে মনত ৰাখিব পাৰে আৰু তাৰ পয়োজন পূৰণ কৰিব পাৰে।

৮৫)তাবাৰক অৰ্জনাৰ্থে কবৰৰ ওপৰত গামোচা বা কাপোৰ আদি পাৰি দিয়া।

৮৬)সন্মানাৰ্থে কবৰ স্পৰ্শ কৰা বা চুম্বন কৰা।

৮৭)কবৰৰ দেৱালৰ সৈতে পেট বা পিঠি স্পৰ্শ কৰা।

৮৮)নবী ও পূণ্যবান লোক সকলৰ কবৰ তাৱাফ কৰা।

৮৯)কবৰৰ ওচৰত জন্তু জৱেহ কৰা বা কুৰবানী কৰা।

৯০)দুআৰ সময়ত পুণ্যবান লোক সকলৰ কবৰ অভিমূখে হাত তোলা।

৯১)নামাজ আদায় কৰা সংকল্পে নবী ও পূণ্যবান লোক সকলৰ কবৰ জীয়াৰত কৰা।

৯২)পূণ্যবান লোকৰ কবৰ অভিমূখে নামাজ আদায় কৰি তাৰ জীয়াৰতৰ বাবে যোৱা।

৯৩)জিক্ৰ, তিলাওৱাত,ৰোজা আৰু জীৱ জন্তু জৱেহ কৰাৰ বাবে কবৰ জীয়াৰত কৰা।

৯৪)কবৰ বাসীক মধ্যস্থতা কৰি আল্লাহৰ ওচৰত পাৰ্থনা কৰা।

৯৫)মৃত ব্যক্তি অথবা অনুপস্থিত নবী ও পূণ্যবান লোকৰ ওচৰত পাৰ্থনা কৰাৰ আবেদন কৰা।

৯৬)মৃত ব্যক্তিক এই দৰে সম্বোধন কৰা যে হে অমুক! মোৰ পাৰ্থনা কবুল কৰা বা শত্রুৰ বিৰোদ্ধে মোক সহায় কৰা।

৯৭)এনে বিশ্বাস পোষন কৰা যে অমূক মৃত ব্যক্তি বিশ্ব জগতৰ নিয়ন্ত্রণ কৰে।

৯৮)কবৰৰ ওচৰত এতেকাফ কৰা আৰু তাৰ খাদিম ও মুজাৱীৰ হোৱা।

৯৯)সন্মান পোষন কৰা কবৰ সমূহ জীয়াৰত কৰি ওলাই আহোঁতে পিছ মোৱা হৈ ওলাই অহা।

১০০)কবৰ ওখ কৰা আৰু তাৰ ওপৰত অটালিকা নিৰ্মান কৰা।

১০১)নিজ কবৰত অটালিকা নিৰ্মান কৰাৰ উপদেশ দিয়া।

১০২)কবৰৰ ওপৰত মৃত ব্যক্তিৰ জন্ম ও মৃত্যুৰ তাৰিখ লিখা।

১০৩)কবৰ পকা কৰা আৰু ৰং কৰা।

১০৪)মৃত ব্যক্তিক মছজিদত দাফন কৰা বা তাৰ কবৰৰ ওপৰত মছজিদ নিৰ্মান কৰা।

১০৫)কবৰৰ কাষত মেলাৰ আয়োজন কৰা।

১০৬) কবৰৰ ওপৰত পদীপ জ্বলোৱা যাতে মানুহে তাৰ জীয়াৰত কৰিবলৈ আহে।

১০৭)কবৰ উজ্জল কৰা বাবে তেল আৰু মম বাতি আদি মান্নত স্বৰূপ পদান কৰা।

১০৮)নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ জীয়াৰত কৰাৰ বাবে ভ্রমন কৰা।

১০৯)নবী ছাল্লাল্লাহু আলাইহি অছাল্লামক ওৱাছীলা ধৰা।

১১০)আল্লাহ ব্যতীত নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত পাৰ্থনা কৰা।

১১১)নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ ওপৰত হাত ফিৰোৱা।

১১২)নবী কাৰিম ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰ তাৱাফ কৰা।

১১৩)তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ দেৱালৰ সৈতে পেট বা পিঠ স্পৰ্শ কৰা।

১১৪)তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ হুজৰাৰ খিৰকিত হাতেৰে স্পৰ্শ কৰা।

১১৫)হুজৰা সন্মুখত থিয় হৈ বহু দেৰি পাৰ্থনা কৰা।

১১৬)কোৰআন খতম আৰু নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ পশংসা মূলক কবিতা পাঠ কৰাৰ বাবে নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ কবৰৰ ওচৰত একত্ৰিত হোৱা।

১১৭)স্বীয় পয়োজন লিখি নবী ছাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত পেৰণ কৰি আবেদন জনোৱা।

১১৮)নবী ছাল্লাল্লাহু আলাইহি অছাল্লাম সম্পৰ্কে এই বিশ্বাস পোষন কৰা যে তেখেত ছাল্লাল্লাহু আলাইহি অছাল্লাম যেনেকৈ জীৱিত অৱস্থাত নিজ উম্মতক পতক্ষ্য কৰিছিল আৰু সিহঁতৰ অৱস্থা সম্পৰ্কে অৱগত হৈছিল ঠিক সেইদৰে মৃত্যুৰ পিছতো তেওঁ অৱহিত।

وصلى الله على نبينا محمد وعلى آله وصحبه ومن تبعهم بإحسان إلى يوم الدين.

১৭/১২/২০১২ ৫:৪৩pm

মাছজিদুত তাওহীদ বান্দা মুম্বাই

Contents


| م | العنوان | الصفحة |
|---|---|---|
| ১ | অনুবাদকৰ কথা | |
| ২ | বেমাৰীৰ কৰ্তব্য | |
| ৩ | মুমূৰ্ষ ব্যক্তিক কালিমা শ্বাহাদতৰ উপদেশ দিয়া | |
| ৪ | মৃত্যুৰ পিছত উপস্থিত লোক সকলৰ দায়িত্ব | |
| ৫ | এটা গুৰুত্ব পূৰ্ণ কথা | |
| ৬ | উপস্থিত লোকৰ কিছুমান বৈধ কাৰ্য | |
| ৭ | মৃত ব্যক্তিৰ আত্মীয় স্বজনৰ কৰ্তব্য | |
| ৮ | মৃত ব্যক্তিৰ আত্মীয় স্বজনৰ পক্ষে কিছুমান হাৰাম(নিষিদ্ধ) কাৰ্য | |
| ৯ | মৃত্যুৰ জাননী দিয়াৰ বৈধ নিয়ম | |
| ১০ | উত্তম পৰিণামৰ কিছুমান নিদৰ্শন | |
| ১১ | মৃত ব্যক্তিৰ পশংসা কৰা | |

| | | |
|---|---|---|
| ১২ | মৃত ব্যক্তিক গুছল দিয়াৰ নিয়ম আৰু তাৰ আদেশ | |
| ১৩ | মৃত ব্যক্তিক কাফন পৰিধান কৰাৰ নিয়ম | |
| ১৪ | জানাযা কান্ধত লোৱা আৰু তাৰ অনুসৰণ পসংগ | |
| ১৫ | জানাযাৰ নামাজ | |
| ১৬ | দাফন কাৰ্য আৰু তাৰ মছলা মাছাইল | |
| ১৭ | সমবেদনাৰ নিয়ম আৰু আদেশ সমূহ | |
| ১৮ | মৃত ব্যক্তিৰ পতি ঈছালে ছাৱাব | |
| ১৯ | কবৰ জীয়াৰত সম্পৰ্কে মছলা মাছাইল | |
| ২০ | কবৰৰ ওচৰত যিবোৰ কাৰ্য কৰা হাৰাম | |
| ২১ | জানাযা সম্পৰ্কে কিছুমান বিদআত | |

IslamHouse.com